সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩২ বছৰৰ এক অবিৰত যাত্ৰা...
গুৱাহাটীৰ পৰা প্ৰকাশিত নিভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

Govt. of Assam Approved
Postal Redg. No. GH- 098/2012-17
৩২ বছৰ, ১৪ সংখ্যা, ২১ চ'ত, ৰবিবাৰ,১৪৩২ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪
RNI No.53883/94. GHY- 781025. Vol. 32: Issue No. 14 Date of Publication- 5 April 2026 Rs. 10.00/-

## ১৮৯ খনলৈ বৃদ্ধি হ'ব বিধানসভাৰ সমষ্টিঃ মুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্ত্তাসেৱা- আগন্তুক বিধানসভা নিৰ্বাচন উপলক্ষে নাজিৰা সমষ্টিৰ নামতি কৰুণাকান্ত গগৈ স্কুল খেলপথাৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিজেপি প্ৰাৰ্থী ময়ূৰ বৰগোহাঁইৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাই কয় যে এইবাৰ নাজিৰা সমষ্টিৰ পৰা ময়ূৰ বৰগোহাঁই জয়ী হোৱাটো এশ শতাংশই নিশ্চিত। নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ মাজতে নাজিৰাত মুখ্যমন্ত্ৰী ড° শৰ্মাৰ ঘোষণা- অসমত বিধানসভা সমষ্টিৰ সংখ্যা ৬৩টালৈ বৃদ্ধি হ'ব। উল্লেখ্য যে ১৬ এপ্ৰিলত লোকসভাত উত্থাপন হ'ব এক ঐতিহাসিক বিধেয়ক। এই বিধেয়কৰ জৰিয়তে লোকসভা আৰু বিধানসভাত এক তৃতীয়াংশ আসন মহিলাৰ বাবে সংৰক্ষিত কৰা হ'ব। লক্ষণীয়ভাৱে অসমৰ ১২৬টা বিধানসভা সমষ্টি বৃদ্ধি হৈ ১৮৯টা হোৱাৰ বিপৰীতে লোকসভা সমষ্টি ১৪টাৰ পৰা ৯টালৈ বৃদ্ধি হোৱাৰ সম্ভাৱনা আছে। মন কৰিবলগীয়া যে শেহতীয়াকৈ সমষ্টি পুনৰ নিৰ্ধাৰণৰ পাছত অসমত অনুষ্ঠিত বিধানসভা নিৰ্বাচনত সলনি হৈছে ৰাজনৈতিক সমীকৰণ তথা সমষ্টিৰ সীমা। এনে নতুন সীমাৰে নতুন সমষ্টিত ৰাজনৈতিক নেতাসকল ভোটযুদ্ধত নামি পৰাৰ সময়তে আন এক নতুন খবৰে ৰাজ্যত সৃষ্টি কৰিছে ব্যাপক চৰ্চা। ২০২৯ চনত দেশজুৰি হ'ব সমষ্টি পুনৰ নিৰ্ধাৰণ। এই প্ৰক্ৰিয়া সম্পন্ন হ'লে দেশৰ প্ৰতিখন ৰাজ্যতে ৫০ শতাংশলৈ বাঢ়িব পাৰে বিধানসভা-লোকসভাৰ আসন। ইতিমধ্যে ১ এপ্ৰিলৰ পৰা সমগ্ৰ দেশত আৰম্ভ হৈছে লোকপিয়ল। এই প্ৰক্ৰিয়া ছেপ্টেম্বৰত সমাপ্ত হ'ব। সেই অনুসৰি দেশত প্ৰথমবাৰৰ বাবে হোৱা জাতিগত লোকপিয়ল ২০২৭ চনৰ প্ৰথমভাগতে প্ৰকাশ পোৱাৰ সম্ভাৱনা আছে। লোকপিয়ল প্ৰকাশৰ লগে লগে দেশজুৰি

(দহ পৃষ্ঠাত চাওক)


## অসম ফুটবলৰ যাদুকৰ গিলবাৰ্টছন চাংমা আৰু নাই



ৰঙিলী বাৰ্ত্তাসেৱা- অৱশেষত নিয়তিৰ ওচৰত হাৰ মানিলে ভৰিৰ যাদুৰে জগত জিনা অসমৰ স্বনামধন্য ফুটবলাৰ গিলবাৰ্টছন চাংমাই। আজীৱন দুভৰিৰ যাদুৰে শত-সহস্ৰ ফুটবলপ্ৰেমীক মোহাচ্ছন্ন কৰি ৰখা অসমৰ ফুটবল ইতিহাসৰ অন্যতম খনিকৰগৰাকীয়ে দীৰ্ঘদিনীয়া অসুস্থতাৰ অন্তত শনিবাৰে পুৱা প্ৰায় ৭.৩০ বজাত মহানগৰীৰ কাহিলিপাৰাৰ বাসগৃহত শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল প্ৰায় ৭১ বছৰ। বিগত ২০২২ চনৰ পৰা ডিমেনচিয়া ৰোগত আক্ৰান্ত হৈ থকা গিলবাৰ্টছন চাংমাই বহু দিনৰ পৰা শাৰীৰিক অসুস্থতাৰ

(দহ পৃষ্ঠাত চাওক)

## ১০ লাখ যুৱক-যুৱতীক মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰশীল আঁচনিৰ অধীনত প্ৰদান কৰা হ'ব ৫ লাখ টকাকৈ



ৰঙিলী বাৰ্ত্তাসেৱা- শনিবাৰে নিৰ্বাচনী প্ৰচাৰ অভিযানৰ মাজতে বশিষ্ঠস্থিত ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয়ত সংবাদমেল আয়োজন কৰি বিগত বিজেপি চৰকাৰৰ কাৰ্যকালৰ কামৰ খতিয়ান দাঙি ধৰে মন্ত্ৰী পীযুষ হাজৰীকাই। সংবাদ মেল সম্বোধন কৰি মন্ত্ৰী হাজৰিকাই কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ দূৰদৰ্শী নেতৃত্বত অসমত বিজেপি চৰকাৰে ৰাজ্যৰ যুৱ সমাজৰ বাবে উন্নয়ন, বিশ্বাস আৰু সমৃদ্ধিৰ এক নতুন অধ্যায় আৰম্ভ কৰিছে। নিয়োগ আৰু চৰকাৰী সৃষ্টিৰ ক্ষেত্ৰত ২০২১ চনত প্ৰদান কৰা এক লাখ চৰকাৰী চাকৰিৰ প্ৰতিশ্ৰুতি অতিক্ৰম কৰি এতিয়ালৈ ১.৬৫ লাখতকৈ অধিক চৰকাৰী চাকৰি প্ৰদান কৰা হৈছে। আগন্তুক ৫ বছৰত ২ লাখতকৈ অধিক নিযুক্তিৰ লক্ষ্য স্থিৰ কৰা হৈছে।

( দুই পৃষ্ঠাত চাওক)

## যোৰহাটত মুখ্যমন্ত্ৰীৰ বিশাল ৰোড শ্ব'



ৰঙিলী বাৰ্ত্তাসেৱা- অসমত পুনৰ বিজেপি চৰকাৰ গঠনৰ লক্ষ্যৰে ৰাজ্যজুৰি মাৰাথন নিৰ্বাচনী প্ৰচাৰত ব্যস্ত থকা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শনিবাৰে মাহমৰা, সোণাৰি, নাজিৰা আৰু মৰিয়নি বিধানসভা সমষ্টিত বিজয় সংকল্প সভাত অংশগ্ৰহণ কৰাৰ লগতে সন্ধিয়া যোৰহাট বিধানসভা সমষ্টিত এক বিশাল ৰোড শ্ব'ত ভাগ লয়। মাহমৰা সমষ্টিৰ জজলি পাঁচআলি খেলপথাৰত বিজেপি প্ৰাৰ্থী সূৰুয দিহিঙীয়াৰ সমৰ্থনত আয়োজিত বিজয় সংকল্প সভাত ভাষণ দি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে বিগত তিনি মাহত তেওঁ ৰাজ্যজুৰি তিনিশৰো অধিক সভাত অংশগ্ৰহণ কৰিছে আৰু ৰাইজৰ মৰম-চেনেহ দেখি নিশ্চিত হৈছে যে এইবাৰ নিৰ্বাচনত বিজেপি মিত্ৰজোঁটে ৯০ খনৰো অধিক আসন লাভ কৰিব। তেওঁ কয় যে ৰাইজৰ বিশ্বাস আৰু আস্থা বিজেপিৰ ওপৰত আছে কাৰণ বিজেপিয়েই একমাত্ৰ দল যিয়ে নিৰ্বাচনৰ প্ৰচাৰৰ সময়ত দিয়া প্ৰতিশ্ৰুতি আখৰে আখৰে পালন কৰে আৰু নিৰ্বাচনৰ পিছত ৫টা বছৰ ৰাইজৰ বাবে নিৰন্তৰ কাম কৰে। ড° শৰ্মাই কয় যে ২০২১ চনৰ বিধানসভা নিৰ্বাচনৰ প্ৰচাৰৰ সময়ত ১ লাখ যুৱক-যুৱতীক চৰকাৰী চাকৰিত নিযুক্তিৰ প্ৰতিশ্ৰুতি দিয়া হৈছিল আৰু যোৱা ৫ বছৰত ১ লাখ ৬৫ হাজাৰক নিকা আৰু স্বচ্ছতাৰে চাকৰি দিয়া হ'ল। এইবাৰ চৰকাৰ গঠন কৰিলে ২ লাখ যুৱক-যুৱতীক চৰকাৰী চাকৰি দিয়া হ'ব। বিগত পাঁচ বছৰত ব্যৱসায়-বাণিজ্য আৰু উদ্যোগ স্থাপনৰ বাবে ১ লাখ যুৱক-যুৱতীক ২ লাখ টকাকৈ দিয়া হ'ল আৰু পৰৱৰ্তী ৫ বছৰত ১০ লাখ যুৱক-যুৱতীক ২ লাখ টকাকৈ দিয়া হ'ব। প্ৰাক্-প্ৰাথমিক শ্ৰেণীৰ পৰা স্নাতকোত্তৰলৈ শিক্ষাৰ্থীৰ পঢ়াৰ সকলো খৰচ বিজেপি চৰকাৰে বহন কৰিব বুলি উল্লেখ কৰি ড° শৰ্মাই কয় যে সন্তানৰ পঢ়া-শুনাৰ খৰচৰ বাবে পিতৃ-মাতৃয়ে চিন্তা কৰিবলগীয়া নহ'ব। প্ৰতিশ্ৰুতি অনুসৰি মহিলাসকলৰ মাইক্ৰ'ফাইনেঞ্চৰ ঋণ ৰেহাই দিয়া হৈছে বুলি উল্লেখ কৰি তেওঁ কয় যে বিগত লোকসভা নিৰ্বাচনৰ প্ৰচাৰৰ সময়ত আত্মসহায়ক আত্মসহায়ক গোটৰ সদস্যা মহিলাসকলক দহ হাজাৰ টকাকৈ দিয়াৰ প্ৰতিশ্ৰুতি দিয়া হৈছিল। মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত অসমৰ ৪০ লাখ মহিলাক ১০ হাজাৰ টকাকৈ দিয়া হ'ল আৰু অহাবাৰ ২৫ হাজাৰ টকাকৈ দিয়া হ'ব। ড° শৰ্মাই কয় যে বিজেপি দল শাসনলৈ আহিলে দুখীয়া

( দুই পৃষ্ঠাত চাওক)

# যোৰহাটত মুখ্যমন্ত্ৰীৰ বিশাল

পৰিয়ালৰ বাবে চাউল, চেনি, দাইল আৰু নিমখৰ লগতে মিঠাতেলো বিনামূলীয়াকৈ দিয়া হ'ব। ভৱিষ্যতে চাহপাতৰ উপৰি বিহু আৰু পূজাৰ সময়ত একোটাকৈ বন্ধন গেছৰ চিলিণ্ডাৰো বিনামূলীয়াকৈ দিয়াৰ চিন্তা-চৰ্চা কৰা হ'ব। পুনৰ শাসনলৈ আহিলে চৰাইদেউ বা শিৱসাগৰ জিলাত চাওলুং চুকাফাৰ নামত এখন বিশ্ববিদ্যালয় স্থাপনৰ লগতে মাহমৰাত এখন আই টি আই আৰু এখন পলিটেকনিক স্থাপন কৰা হ'ব বুলি তেওঁ আশ্বাস দিয়ে। ইয়াৰ পিছতে ড° শৰ্মাই সোণাৰি সমষ্টিৰ বিজেপি প্ৰাৰ্থী ধৰ্মেশ্বৰ কোঁৱৰৰ সমৰ্থনত সোণাৰি মহাবিদ্যালয় খেলপথাৰত আয়োজিত এখন জনসভাত উপস্থিত থাকে। সভাত মুখ্যমন্ত্ৰীয়ে কয় যে বিগত ৫টা বছৰত বিজেপি চৰকাৰৰ কাৰ্যকালত অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভ কৰিলে, চৰাইদেউ মৈদামক ইউনেস্ক'ই বিশ্ব সাংস্কৃতিক ঐতিহ্যৰ স্বীকৃতি দিলে, ৰংঘৰৰ সৌন্দৰ্যবৰ্ধনৰ কাম আৰম্ভ হ'ল, লাচিত বৰফুকনৰ সুবিশাল প্ৰতিমূৰ্তি স্থাপন কৰা হ'ল। তেওঁ কয় যে বিজেপি চৰকাৰে চাহ বাগিচাৰ শ্ৰমিকক মাটিৰ পট্টা দিয়াৰ কাম আৰম্ভ কৰিছে আৰু পুনৰ শাসনলৈ আহিলে তেওঁলোকক প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ ঘৰো দিয়া হ'ব। সমগ্ৰ অসমত ১৫ লাখ প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ ঘৰ দিয়া হ'ব। তেওঁ কয় যে কংগ্ৰেছৰ দিনত চাহ শ্ৰমিকৰ মজুৰি ১৩৫ টকা আছিল। বিজেপি চৰকাৰৰ দিনত ২৮০ টকালৈ বৃদ্ধি কৰা হ'ল আৰু বিজেপি পুনৰ শাসনলৈ আহিলে ৪৫০-৫০০ টকালৈ চাহ শ্ৰমিকৰ মজুৰি বৃদ্ধি কৰা হ'ব। নাজিৰা সমষ্টিৰ বিজেপি প্ৰাৰ্থী ময়ূৰ বৰগোহাঁইৰ সমৰ্থনত কৰুণাকান্ত মেম'ৰিয়েল উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত আয়োজিত এখন সভাত ভাগ লৈ দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে কয় যে নাজিৰা সমষ্টিত বিগত ১০ বছৰে উন্নয়ন স্তব্ধ হৈ আছে আৰু সেয়ে সমষ্টিটোৰ বাবে এইবাৰ বিশেষ পেকেজ দিয়া হ'ব। ইয়াৰ সহায়ত নাজিৰাত প্ৰায় ৭০০ কিলোমিটাৰ পথ উন্নত কৰা হ'ব। সমষ্টি পুনৰ নিৰ্ধাৰণত আমগুৰি সমষ্টিটো বিলুপ্ত কৰি এটা অংশ শিৱসাগৰত আৰু আন এটা অংশ নাজিৰাত অন্তৰ্ভুক্ত কৰা হ'ল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে মহিলাৰ বাবে সংৰক্ষণ কৰাৰ বাবে অসমত বিধানসভা সমষ্টিৰ সংখ্যা নিৰ্বাচন আয়োগে বৃদ্ধি কৰিব আৰু তেতিয়া পুনৰ আমগুৰি সমষ্টি গঠন কৰা হ'ব। তেতিয়ালৈকে আমগুৰিৰ পৰা এটাও কাৰ্যালয় স্থানান্তৰ কৰা নহয়। ইয়াৰ পিছতে মৰিয়নি সমষ্টিৰ বিজেপি প্ৰাৰ্থী ৰূপজ্যোতি কুৰ্মীৰ সমৰ্থনত বৈচাহাবি চাহ বাগিচা খেলপথাৰত আয়োজিত জনসভাত ড° শৰ্মাই ভাগ লয়। সন্ধিয়া মুখ্যমন্ত্ৰীয়ে যোৰহাট সমষ্টিৰ বিজেপি প্ৰাৰ্থী হিতেন্দ্ৰ নাথ গোস্বামীৰ সমৰ্থনত যোৰহাট নগৰত এটা ৰোড শ্ব'ত অংশ লয়। পদযাত্ৰাটোত কে বি ৰ'ডৰ পৰা আৰম্ভ কৰি গড় আলি হৈ মিঠাপুখুৰী হৈ এম কে পথেৰে এ টি ৰ'ডত সোমাই পুনৰ জে বি ৰ'ডেৰে তৰুণৰাম ফুকন পথ হৈ বৰুৱা চাৰিআলিত সামৰণি পৰে। ৰোড শ্ব'টোত মুখ্যমন্ত্ৰীগৰাকীক পথৰ দুয়োকাষে বৈ থকা যুৱক-যুৱতী তথা পুৰুষ-মহিলা তথা বয়োবৃদ্ধ সকলোৱে গামোচা, মিঠাই আদি বিভিন্ন সামগ্ৰীৰে উপহাৰ প্ৰদান কৰে। সকলোৱে প্ৰিয় মুখ্যমন্ত্ৰীগৰাকীক ওচৰতে চাই পথৰ কাষত ৰৈ থকাসকলে এবাৰ চুই চাবলৈ হেঁপাহ কৰা পৰিলক্ষিত হয়। সমৰ্থকসকলে ড° হিমন্ত বিশ্ব শৰ্মা জিন্দাবাদ, বিজেপি জিন্দাবাদ ধ্বনিয়ে যোৰহাটৰ ৰাজপথ কঁপাই তোলে।

# ১০ লাখ যুৱক-যুৱতীক মুখ্যমন্ত্ৰী

মন্ত্ৰীগৰাকীয়ে বিজেপি নেতৃত্বাধীন চৰকাৰখনে গ্ৰহণ কৰা কৰ্মসংস্থাপনৰ লক্ষ্যৰ দিশটো উল্লেখ কৰি কয়- অসমত কৰ্মসংস্থাপন যোজনাৰ অধীনত জিলাভিত্তিক নিয়োগ মেলাৰ জৰিয়তে কৰ্মসংস্থাপন দিয়াৰ লগতে এটা ডিজিটেল চাকৰি প'ৰ্টেল আৰম্ভ কৰা হৈছে। চিএম ফ্লাইট অভিযানৰ অধীনত অসমৰ যুৱক-যুৱতীক বিশ্বস্তৰীয় চাকৰিৰ সুযোগৰ বাবে প্ৰশিক্ষিত কৰাৰ লগতে প্ৰাৰ্থীগৰাকীক এক লাখ টকাকৈ প্ৰদান কৰা হৈছে। গুৱাহাটীত উত্তৰ-পূবৰ প্ৰথমটো সামুদ্ৰিক দক্ষতা বিকাশ কেন্দ্ৰ স্থাপন কৰা হৈছে আৰু মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ জৰিয়তে এক লাখতকৈ অধিক যুৱক-যুৱতীক এহাজাৰ কোটিতকৈ অধিক আৰ্থিক সহায় প্ৰদান কৰা হৈছে। আগন্তুক ৫ বছৰত ১০ লাখ যুৱক-যুৱতীক এই আঁচনিৰ অধীনত ৫ লাখ টকা পৰ্যন্ত প্ৰদান কৰা হ'ব। মন্ত্ৰীগৰাকীয়ে কয়- ২০২১ চনৰ পৰা ৬১৫টা ষ্টাৰ্টআপক সহায় কৰা হৈছে। এতিয়ালৈকে বিজেপি চৰকাৰৰ দিনত এমএছএমই খণ্ডত ১২.৭৫ লাখ ইউনিটে ৮২ লাখতকৈও অধিক লোকক কৰ্মসংস্থাপন প্ৰদান কৰিছে। বিগত ৫ বছৰত শিক্ষা আৰু ছাত্ৰ-ছাত্ৰীৰ কল্যাণৰ ক্ষেত্ৰতো অভূতপূৰ্ব পদক্ষেপ গ্ৰহণ কৰাৰ কথা উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়- বছৰি ৫৭ লাখ শিক্ষাৰ্থীক বিনামূলীয়া পাঠ্যপুথি আৰু ৪৩ লাখ শিক্ষাৰ্থীক ইউনিফৰ্ম প্ৰদান কৰাৰ লগতে ১০ লাখতকৈ অধিক ছাত্ৰ-ছাত্ৰীক চাইকেল প্ৰদান কৰা হৈছে। দৰিদ্ৰ পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰাক্ প্ৰাথমিকৰ পৰা স্নাতকোত্তৰ পৰ্যায়লৈ বিনামূলীয়া শিক্ষা নিশ্চিত কৰাৰ উপৰি ১.৩ লাখ মেধাৱী ছাত্ৰ-ছাত্ৰীয়ে স্কুটী লাভ কৰিছে। তদুপৰি নিযুত মইনা আঁচনিৰ জৰিয়তে ৰাজ্যৰ ৩.৮৯ লাখ কন্যা শিক্ষাৰ্থীক আৰ্থিকভাৱে সহায় কৰা হৈছে। উচ্চ শিক্ষা আৰু দক্ষতা বিকাশৰ লক্ষ্য আগত ৰাখি ৰাজ্যৰ ১০খন মহাবিদ্যালয়ক বিশ্ববিদ্যালয়লৈ উন্নীত কৰা হৈছে আৰু ৪খন নতুন বিশ্ববিদ্যালয় স্থাপন কৰা হৈছে। আনহাতে এইমছ, আইআইএম আদিৰ দৰে উচ্চ পৰ্যায়ৰ শিক্ষানুষ্ঠানো ৰাজ্যত স্থাপন কৰা হৈছে। অসম দক্ষতা বিকাশ বিশ্ববিদ্যালয়ে শিক্ষাবৰ্ষ আৰম্ভ কৰাৰ সমান্তৰালভাৱে স্কিল যাত্ৰা আঁচনিৰ জৰিয়তে ৰাজ্যৰ সহস্ৰাধিক যুৱক-যুৱতীক প্ৰশিক্ষণ দিয়া হৈছে। প্ৰতিযোগিতামূলক পৰীক্ষা যেনে- ইউপিএছচি, এপিএছচি, এছএছচি আদি পৰীক্ষাত প্ৰস্তুতিৰ বাবে বিনামূলীয়া ক'চিং প্ৰদান কৰি থকা হৈছে। ইয়াৰ উপৰি ৰাজ্যৰ ছাত্ৰ-ছাত্ৰীৰ বাবে জেইই, নীট, চিএলএটি, চিইউইটি আদি পৰীক্ষাৰ বিশেষ ক'চিঙৰো ব্যৱস্থা কৰাৰ লগতে সামৰিক বাহিনীৰ প্ৰশিক্ষণ প্ৰতিষ্ঠান স্থাপন কৰা হৈছে। মন্ত্ৰী হাজৰিকাই কয়- ৰাজ্যৰ উদ্যোগ খণ্ডত বিনিয়োগ সৃষ্টিৰে নতুন উদ্যোগ স্থাপন কৰি নিযুক্তিৰ ক্ষেত্ৰত স্থানীয় যুৱক-যুৱতীক অগ্ৰাধিকাৰ প্ৰদান কৰা হৈছে। ইতিমধ্যে জাগীৰোডত স্থাপন হোৱা টাটা ইলেক্ট্ৰনিকছৰ ২৭হাজাৰ কোটি টকাৰ ছেমিকণ্ডাক্টৰ প্ৰকল্পত ইতিমধ্যে পৰোক্ষভাৱে ৪ হাজাৰ যুৱক-যুৱতীয়ে কাম পাইছে আৰু ২৯ হাজাৰতকৈ অধিক যুৱক-যুৱতীয়ে নিযুক্তি লাভ কৰিব। ক্ৰীড়া আৰু যুৱ কল্যাণৰ কথা উল্লেখ কৰি মন্ত্ৰী হাজৰিকাই কয়- ৰাজ্যৰ প্ৰতিটো উন্নয়ন ক্ষেত্ৰত আধুনিক মানদণ্ডৰ ক্ৰীড়া প্ৰকল্প আৰু প্ৰতিখন জিলাত একোখনকৈ খেল একাডেমী স্থাপন কৰা হ'ব। ইতিমধ্যে শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয় স্থাপন কৰাৰ লগতে বিগত সময়ছোৱাত অনুষ্ঠিত খেল মহাৰণত ৫৩ লাখতকৈ অধিক খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে। শক্তিশালী অসম গঞ্জাৰ উদ্দেশ্যে ৰাজ্যজুৰি দক্ষতাৰ জৰীপ চলোৱাৰ উপৰি ড্ৰাগমুক্ত পৰিৱেশৰ বাবে নিচামুক্ত অসম অভিযান আৰম্ভ কৰা হৈছে। সংবাদ মেলত মন্ত্ৰী হাজৰিকাই কয়- বিজেপি চৰকাৰে অসমত কেৱল বান নিয়ন্ত্ৰণ কৰাই নহয়, ইয়াক সমাপ্ত কৰাৰ দিশে আগবাঢ়িছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত বিজেপি চৰকাৰে অসমৰ বান সমস্যা নিয়ন্ত্ৰণ কৰাটো এক অন্যতম সংকল্প হিচাপে লৈছে। আগন্তুক ৫ বছৰত ১৮ হাজাৰ কোটি টকাৰো অধিক বিনিয়োগেৰে বানমুক্ত অসম মিছন আৰম্ভ কৰাৰ লগতে বানপানী নিয়ন্ত্ৰণৰ লগতে এক পূৰ্ণাংগ, দীৰ্ঘম্যাদী পৰিকল্পনা প্ৰস্তুত কৰা হৈছে। নদী পুনৰুজ্জীৱন আঁচনিৰ অধীনত আধুনিক প্ৰযুক্তিৰে মথাউৰি নিৰ্মাণ, নদীৰ গৰাখহনীয়া ৰোধ আৰু ক্ষয় হোৱা মাটি পুনৰুদ্ধাৰ কৰাৰ উদ্দেশ্যে বিশেষ স্বেচ্ছাসেৱক নিয়োগেৰে বান পৰ্যবেক্ষণ কৰিবলৈ বান নিৰীক্ষক বাহিনী গঠন কৰা হৈছে। চহৰ অঞ্চলত উন্নতমানৰ নলা-নৰ্দমা নিৰ্মাণ কৰাৰ কথাও তেওঁ উল্লেখ কৰে।

সম্পাদকীয় শিতান — দেৱাশীষ গোস্বামী,নগাওঁ

# Of the People By the People For the People









আব্ৰাহাম লিংকনৰ ১৮৬৩ চনৰ ১৯ নৱেম্বৰত সৈনিক সকলক উদ্দেশ্যি দিয়া ভাষণৰ বিখ্যাত উপৰোক্ত বাক্য কেইশাৰী এখন গণতান্ত্ৰিক দেশৰ বাবে খুবেই গুৰুত্বপূৰ্ণ। গণতন্ত্ৰ বা Democracy হ'ল কোনো ৰাষ্ট্ৰৰ বা সংগঠনৰ এনে এটি শাসন ব্যৱস্থা য'ত প্ৰত্যেকজন নাগৰিকৰ নীতি নিৰ্ধাৰণ বা চৰকাৰী প্ৰতিনিধি নিৰ্বাচনৰ ক্ষেত্ৰত সমান অধিকাৰ থাকে। আব্ৰাহাম লিংকনৰ মতে গণতন্ত্ৰ হ'ল - ৰাইজৰ দ্বাৰা, ৰাইজৰ হকে গঠিত, ৰাইজৰ চৰকাৰ।

ৰাজনীতি বিজ্ঞানী লেৰি ডায়মণ্ডৰ গণতন্ত্ৰৰ সংজ্ঞা হ'ল-

১) এটা ৰাজনৈতিক ব্যৱস্থা যাৰ জৰিয়তে মুক্ত আৰু নিকা নিৰ্বাচন পদ্ধতিৰে চৰকাৰ বাচনি আৰু সলনি কৰিব পাৰি।

২) নাগৰিকৰ দ্বাৰা ৰাজনীতি আৰু সাধাৰণ জীৱনত সক্ৰিয় অংশগ্ৰহণ।

৩) সকলো নাগৰিকৰ মানৱ অধিকাৰ সুৰক্ষিত ৰখা।

৪) সকলো নাগৰিকৰ ওপৰত সমানে প্ৰযোজ্য হোৱা এটা আইনী ব্যৱস্থা।

চৰকাৰ বা Government হ'ল কোনো দেশৰ সৰ্বোচ্চ সংস্থা তথা কৰ্তৃপক্ষ যাৰ মাধ্যমেৰে দেশখনৰ শাসন কাৰ্য্য পৰিচালিত হয়। গণতান্ত্ৰিক শাসন ব্যৱস্থাত চৰকাৰ জনসাধাৰণৰ নিৰ্বাচিত প্ৰতিনিধিৰ দ্বাৰা গঠিত হয়। চৰকাৰখনৰ মৌলিক দায়িত্ব সমূহৰ ভিতৰত দেশৰ নিৰাপত্তা সুনিশ্চিত কৰা, সমাজৰ শান্তি বজাই ৰখা, ৰাইজৰ সা-সম্পত্তি ৰক্ষা কৰা আৰু উচিত বিচাৰ কাৰ্য্যৰে বিবাদ মিমাংসা কৰা। ৰাইজৰ দ্বাৰা গঠিত চৰকাৰ খনে অৰ্পিত দায়িত্ব সমূহ পালনৰ বাবে ৰাজহ আহৰণ কৰে আৰু শাসনকাৰ্য পৰিচালনা তথা উন্নয়নমূলক কামৰ বাবে সেয়া ব্যয় কৰে।

এতিয়া কথা হ'ল, সাধাৰণ জনগনে বহু আশা-আকাংক্ষাৰে নিৰ্বাচন কৰি পঠোৱা প্ৰাৰ্থী সকলৰ দ্বাৰা গঠিত চৰকাৰ খনে যেতিয়া উঠি ৰজা বহি ৰজাৰ দৰে আচৰন কৰিবলৈ আৰম্ভ কৰে, সাধাৰন জনতাৰ দুখ-দুৰ্দশা কুলাই পাচিয়ে নধৰা হয়। ৰাইজৰ প্ৰতিনিধিৰে গঠিত চৰকাৰ এখনৰ "God Father Behaviour" কোনো কাৰনতে গ্ৰহণ যোগ্য নহয়। ৫ বছৰীয়া শাসন কালত জাতি, ধৰ্ম, ভাষা, উচ্চ-নীচ, ধনী-দুখীয়া বিচাৰ নকৰি সাধাৰন জনতাৰ কাষত ঠিয় দিয়া জনহে জনতাই নিৰ্বাচিত কৰি পঠোৱা পছন্দৰ প্ৰাৰ্থী জনৰ আচল পৰিচয় তথা মুখ্য উদ্দেশ্য হব লাগে। নিৰ্বাচন কৰি পঠোৱা প্ৰাৰ্থী জন নিজৰ প্ৰকৃত উদ্দেশ্য বা কৰ্মৰ পৰা যেতিয়াই বিচলিত হয়, তেতিয়াই দেশত তথা ৰাজ্যখনত অৰাজক পৰিস্থিতিৰ উদ্ভৱ হয়।

অভাৱী জনতাক টকাৰ বলেৰে কিনি ক্ষমতাৰ বলেৰে বলিয়ান জন প্ৰতিনিধি সকলো কিন্তু মাটিৰেই মানুহ, মাটিতেই মিলি যাব। মানুহৰ কৰ্মইহে আচল পৰিচয়। কোনো বস্তুৱেই চিৰস্থায়ী নোহোৱা এই জগতত সু কৰ্মৰে অন্তত আমাৰ নামটো চিৰ যুগমীয়া আমি কৰি যাব পাৰো।

এতিয়া নিৰ্বাচনৰ বতৰ। উপযুক্ত সময় জনসাধাৰণৰ এজন মনপছন্দৰ উপযুক্ত প্ৰাৰ্থীক প্ৰতিনিধি হিচাপে নিৰ্বাচিত কৰি চৰকাৰ গঠন কৰাৰ। চলাহী কথাৰ মেৰপেচত নপৰি, ৰং বিৰঙৰ মহাত্মা গান্ধীৰ লোভ সম্বৰন কৰি, ভৱিষ্যত প্ৰজন্মৰ কথা সৰোগত কৰি, সমাজখন তথা দেশৰ প্ৰকৃত উন্নয়নৰ স্বাৰ্থত EVM মেচিনৰ উপযুক্ত বুটামটো টিপি ভোটাধিকাৰ সাব্যস্ত কৰি, সন্মুখৰ আইনা খন চাই এটা গৰ্বিত তথা সন্তোসৰ হাঁহি মাৰিব যদি পাৰিছো, যদি nothing to regret, তেহে প্ৰকৃত মানৱ জীৱনৰ সাৰ্থকতা, তেহে আব্ৰাহাম লিংকনৰ Of the People, By the People, For the People বাক্য কেইশাৰীৰ সাৰ্থকতা।

# পাঁচ বছৰত অনুপ্ৰৱেশকাৰীক খেদি পঠিওৱাৰ কাম কৰা হ'বঃ কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ



ৰঙিলী বাৰ্ত্তাসেৱা- দুদিনীয়া ভ্ৰমণসূচীৰে অসমত উপস্থিত হোৱা কেন্দ্ৰীয় গৃহমন্ত্ৰী শাহে গোৱালপাৰা জিলাৰ দুধনৈ, কামৰূপ জিলাৰ পলাশবাৰী আৰু ধুবুৰী জিলাৰ গোলকগঞ্জ বিধানসভা সমষ্টিত নিৰ্বাচনী ৰণদুন্দুভি বজায়। অৱশ্যে হেলিকপ্টাৰৰ যান্ত্ৰিক বিজুতিৰ বাবে তেওঁ গোলকগঞ্জৰ বাতিয়াদাহা মেলা ময়দানত অনুষ্ঠিত জনসমাৰেশত উপস্থিত থাকিব নোৱাৰিলে। এনে অৱস্থাত কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্বাহে ফোনযোগে উপস্থিত ৰাইজক সম্বোধন কৰি গোলকগঞ্জৰ বিজেপি প্ৰাৰ্থী অশ্বিনী ৰায় সৰকাৰৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। নিজ ভাষণত অনুপ্ৰৱেশকাৰীৰ বিষয়টো গুৰুত্বসহকাৰে উত্থাপন কৰি অসমক অবৈধ বিদেশী মুক্ত কৰাৰ বাবে পুনৰ ড° হিমন্ত বিশ্ব শৰ্মাক মুখ্যমন্ত্ৰী পাতিবলৈ আহ্বান জনায় কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্বাহে। একে সময়তে তেওঁ এইক্ষেত্ৰত কংগ্ৰেছক ক্ষুৰধাৰ সমালোচনা কৰে। অসমত অনুপ্ৰৱেশ প্ৰতিৰোধ কৰিব লাগিব বুলি উল্লেখ কৰি তেওঁ কয় যে মেঘালয়ত হোৱা নিৰ্বাচনৰ সময়ত গাৰো হিলছত হিংসাত্মক ঘটনা সংঘটিত হৈছিল। কাৰণ, প্ৰলোভনেৰে গাৰো যুৱতীক জালত ফচাই অনুপ্ৰৱেশকাৰীয়ে পাহাৰীয়া (দহ পৃষ্ঠাত চাওক)

# লখিমপুৰত চলন্ত ৰে'লত নিজ কন্যাক শিৰশ্ছেদ পিতৃৰ



ৰঙিলী বাৰ্ত্তাসেৱা- চলন্ত ৰে'লত সংঘটিত হ'ল এক গাৰ নোম শিয়ৰি উঠা ঘটনা। লখিমপুৰত চলন্ত ৰে'লত নিজৰ কণমানি কন্যাক ঘপিয়াই শিৰচ্ছেদ কৰিলে পিতৃয়ে। মানৱ সমাজক লজ্জানত কৰা এই ঘটনাতো জিলাখনৰ চিলনীবাৰী ৰে'ল ষ্টেচনৰ কাষত সংঘটিত হয়। তেজপুৰৰ ডেকাৰ গাঁৱৰ পৰা মুৰ্কংচেলেক অভিমুখী ইণ্টাৰচিটী ৰে'লখনত এই ভয়ংকৰ ঘটনাটো ঘটে। জানিব পৰা মতে ধেমাজি জিলাৰ গোগামুখৰ চাওতাল গাঁও নিবাসী সুনীল মুৰ্মুৱে নিজৰ প্ৰায় ছবছৰীয়া কন্যাসহ গহপুৰৰপৰা ঘৰলৈ বুলি সেই ৰে'লখনত যাত্ৰা কৰিছিল। কিন্তু ৰে'লখন আহি লখিমপুৰৰ চিলনীবাৰী ৰে'ল ষ্টেচন পোৱাৰ কিছু আগতে নিজৰ মোনাত থকা দা উলিয়াই সুনীলে নিজৰ কন্যাক ডিঙিত ঘপিয়ায়। দাৰ ঘাপত (দহ পৃষ্ঠাত চাওক)

# মোক প্ৰকৃত হিন্দু নহয় বুলি কোৱা গৌৰৱ গগৈয়ে পত্নী আৰু সন্তানৰ ধৰ্ম কি ৰাইজক জনাব লাগেঃমুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্ত্তাসেৱা- বৰাক উপত্যকাত নিৰ্বাচনী প্ৰচাৰ চলাই থকাৰ সময়তে কংগ্ৰেছ সভাপতি গৌৰৱ গগৈয়ে বিভিন্ন মঞ্চত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা এগৰাকী প্ৰকৃত হিন্দু নহয় বুলি কৰি অহা সমালোচনাক উভতি ধৰিলে মুখ্যমন্ত্ৰীয়ে। বৰাকত নিৰ্বাচনী প্ৰচাৰ অভিযানৰ মাজতে সংবাদ মাধ্যমৰ আগত কংগ্ৰেছ সভাপতি গৌৰৱ গগৈক তীব্ৰ কটাক্ষ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- মই বাৰু ভুৱা হিন্দু। কিন্তু গৌৰৱ গগৈৰ সন্তান প্ৰকৃত হিন্দু নেকি? তেওঁৰ পৰিবাৰ হিন্দু নে কি ধৰ্মৰ? মোক ভুৱা বুলি ক'লেই তেওঁ নিজৰ বাবে দায় সাৰিব নোৱাৰে। আনহাতে, অসমত শেহতীয়াকৈ প্ৰচাৰ চলাবলৈ অহা ৰাহুল গান্ধীকো সমালোচনা কৰি মুখ্যমন্ত্ৰীয়ে কয়- ৰাহুল গান্ধী ভাৰতৰ ৰাজনীতিৰ পাপ্পু আৰু গৌৰৱ গগৈ অসমৰ ৰাজনীতিৰ চোটা পাপ্পু। কংগ্ৰেছ চৰকাৰ শাসনলৈ আহিলে ড° হিমন্ত বিশ্ব শৰ্মাক গ্ৰেপ্তাৰ কৰিব বুলি শেহতীয়াকৈ ৰাহুল গান্ধীয়ে নিৰ্বাচনী সভাত কৰা ঘোষণাৰ উত্তৰ দি মুখ্যমন্ত্ৰীয়ে কয়- মোক গ্ৰেপ্তাৰ কৰিবলৈ ইন্দিৰা গান্ধী, ৰাজীৱ গান্ধীয়ে পুনৰ জনম ল'ব লাগিব। ৰাহুল গান্ধীয়েও নতুনকৈ জনম ল'ব লাগিব। এই জনমত তেওঁলোকে গ্ৰেপ্তাৰ কৰিব নোৱাৰিব। সাত জনমৰ পিছতহে হিমন্ত বিশ্ব শৰ্মাৰ চুলি বেঁকা কৰিব পাৰিব। মুখ্যমন্ত্ৰীয়ে কয়- পাকিস্তান সংবাদ মাধ্যমত প্ৰতিদিনেই হোৱা টক শ্ব'ত গৌৰৱ গগৈক ক্লীনশ্বীট দি থকা হৈছে। ইয়াৰ মানে হ'ল গৌৰৱ গগৈৰ হৈ পাকিস্তান সংবাদ মাধ্যমেও প্ৰচাৰ চলাই আছে। গৌৰৱ গগৈৰ পাকিস্তান সংযোগক লৈ মই আবোল-তাবোল কোৱা বুলি ক'ব খোজে। কিন্তু এতিয়া স্পষ্ট হৈছে যে গৌৰৱ গগৈৰ পাকিস্তান সংযোগ কিমান শক্তিশালী। অসমৰ নিৰ্বাচনৰ কথা পাকিস্তান সংবাদ মাধ্যমত কিয় চৰ্চা হয়? পূৰ্বে কেতিয়াও হোৱা নাছিল। গৌৰৱ গগৈ-কুংকি চৌধুৰী লেফট উইং লিবাৰেল গেং, যিয়ে সনাতন হিন্দু ধৰ্মক শেষ কৰিব বিচাৰে।

# বৰখলা-ঢলাই-হাইলাকান্দি-আলগাপুৰত মুখ্যমন্ত্ৰীৰ বিজয় সংকল্প সভা



ৰঙিলী বাৰ্ত্তাসেৱা- বৰাক উপত্যকাৰ হাইলাকান্দি আৰু কাছাৰ জিলাৰ চাৰিটা গুৰুত্বপূৰ্ণ সমষ্টি ক্ৰমে হাইলাকান্দি, ধলাই, কাটিগড়া আৰু বৰখলা বিধানসভা সমষ্টিত বিজেপি আৰু মিত্ৰজোঁটৰ সমৰ্থনত এক প্ৰবল জোৱাৰৰ সৃষ্টি কৰি নিৰ্বাচনী প্ৰচাৰ চলাই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। গুৰুত্বপূৰ্ণ চাৰিটা বিধানসভা সমষ্টিত বিজয় সংকল্প সভাত অংশগ্ৰহণ কৰাৰ লগতে সন্ধিয়া শিলচৰ চহৰত এক বিশাল ৰোড শ্ব'ত ভাগ লয় মুখ্যমন্ত্ৰী ড° শৰ্মাই। প্ৰতিখন সভাতে হাজাৰ হাজাৰ জনতাই উষ্ম আদৰণি জনাই বিজেপি মিত্ৰজোঁটৰ প্ৰতি থকা অকুণ্ঠ সমৰ্থন প্ৰদৰ্শন কৰে। হাইলাকান্দি বিধানসভা সমষ্টিৰ লালা বহুমুখী উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত আয়োজিত বিজয় সংকল্প সভাত অংশ লৈ মুখ্যমন্ত্ৰীয়ে কয় যে বৰাকৰ জনতাই প্ৰমাণ কৰি দিলে যে তেওঁলোকে কেৱল উন্নয়ন বিচাৰে। তেওঁ দাবী কৰে যে যোৱা ৫ বছৰত বিজেপি চৰকাৰে সমগ্ৰ অসমৰ লগতে বৰাক উপত্যকাতো স্থায়ী শান্তি আৰু উন্নয়ন প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। ড° শৰ্মাই দৃঢ়তাৰে কয় যে এইবাৰ বিজেপিয়ে ১০০খন আসন লাভ কৰি দিছপুৰত পুনৰ চৰকাৰ গঠন কৰিব আৰু হাইলাকান্দিৰ বিজেপি প্ৰাৰ্থী মিলন দাসৰ জয় ১০০ শতাংশ নিশ্চিত। বিশেষকৈ হাইলাকান্দিৰ উন্নয়নৰ ওপৰত গুৰুত্ব আৰোপ কৰি ড° শৰ্মাই কয় যে মিলন দাস জিকাৰপাছত তেওঁলোক দুয়োজন মিলি হাইলাকান্দিত উন্নয়নৰ গংগা বোৱাব। তেওঁ হাইলাকান্দিৰ বাবে বিশেষ শৈক্ষিক তথা স্বাস্থ্যখণ্ডৰ পেকেজ ঘোষণা কৰি কয় যে জিলাখনত এখন ইঞ্জিনিয়াৰিং কলেজ, এখন মেডিকেল কলেজ, এখন কেঞ্চাৰ হাস্পতাল আৰু এখন নতুন বিশ্ববিদ্যালয় স্থাপন কৰা হ'ব। ইয়াৰ উপৰি হাইলাকান্দি চহৰৰ যান-জটৰ সমস্যা ( পাঁচ পৃষ্ঠাত চাওক)

# প্ৰধান শিক্ষক ধনীৰাম বৈশ্যক বিদায় সম্বৰ্ধনা




ৰঙিলী বাৰ্ত্তাসেৱা- কামৰূপ জিলাৰ হাজো শিক্ষা খণ্ডৰ দমদমা চেঁচামুখ মণ্ডল সমল কেন্দ্ৰৰ অন্তৰ্গত কুলহাটী মজলীয়া বিদ্যালয়ৰ প্ৰধান শিক্ষক ধনীৰাম বৈশ্যক ৰাজহুৱা সম্বৰ্ধনা জ্ঞাপন কৰা হয়। বৈশ্যক ফুলাম গামোচা, বস্ত্ৰ, মানপত্ৰ, শৰাই, ধৰ্মগ্ৰন্থ, ছাতি, জাপিৰে বিদায় সম্বৰ্ধনা জনায়। কুলহাটী মজলীয়া বিদ্যালয়ৰ অৱসৰী প্ৰধান শিক্ষয়িত্ৰী নিৰদা দাসৰ সভাপতিত্বত অনুষ্ঠিত সম্বৰ্ধনা সভাত বংশৰ ভৃংগেশ্বৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক তথা জিলা কৃতী শিক্ষক বঁটা প্ৰাপক ইন্দ্ৰ কান্ত বৈশ্য ই ছাত্ৰ -ছাত্ৰী সকলৰ মাজত থাকি জীৱন গঢ়া খনিকৰ হৈ শিক্ষক সকলৰ আনন্দ মধুৰ সময়ৰ দিশ বৰ্ণনা কৰে। হাজো বালিকা মজলীয়া বিদ্যালয়ৰ সহকাৰী শিক্ষয়িত্ৰী বিভাৰাণী দাস, অৱসৰী প্ৰধান শিক্ষয়িত্ৰী পদুমী দাসে ভাষণত আৱেগ বিহ্বল হৈ পৰে। মণ্ডল সমল সমন্বয়ক কৃষ্ণৰাম কলিতা, শিক্ষক চন্দন দাস, অভিভাৱক নগেন কলিতা আৰু কন্যা উৰ্মি বৈশ্য ই ভাষণ ৰাখে। শেষত অৱসৰী প্ৰধান শিক্ষক ধনীৰাম বৈশ্য ই নিজৰ কৰ্মময়ী জীৱনৰ ওপৰত আৱেগিক অনুভূতি ৰ বিষয়ে বহলাই বক্তব্য ৰাখে।

# বৰাকত ৯ৰ পৰা ১১খন আসন লাভ কৰিব মিত্ৰজোঁটেঃমুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্তাসেৱা- মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বৰাক উপত্যকাৰ হাইলাকান্দি আৰু কাছাৰ জিলাৰ চাৰিটা গুৰুত্বপূৰ্ণ সমষ্টিত নিৰ্বাচনী প্ৰচাৰ চলাই ভাৰতীয় জনতা পাৰ্টি আৰু মিত্ৰজোঁটৰ সমৰ্থনত এক প্ৰবল জোৱাৰৰ সৃষ্টি কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই ক্ৰমে হাইলাকান্দি, ধলাই, কাটিগড়া আৰু বৰখলা বিধানসভা সমষ্টিত বিজয় সংকল্প সভাত অংশগ্ৰহণ কৰাৰ লগতে সন্ধিয়া শিলচৰ চহৰত এক বিশাল ৰোড শ্ব'ত ভাগ লয়। প্ৰতিখন সভাতে হাজাৰ হাজাৰ জনতাই উষ্ম আদৰণি জনাই বিজেপি মিত্ৰজোটৰ প্ৰতি থকা অকুণ্ঠ সমৰ্থন প্ৰদৰ্শন কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই সংবাদ মাধ্যমৰ আগত কয়- এনডিএ নিৰ্বাচনত ৯০ৰ পৰা ১০০খন আসন লাভ কৰিব। উল্লেখ্য যে বিৰোধীক নিষ্প্ৰভ কৰি সমগ্ৰ ৰাজ্যতে প্ৰচাৰ অভিযান অব্যাহত ৰখা মুখ্যমন্ত্ৰী ড° শৰ্মাৰ লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ উপৰি কেইবাজনো ৰাষ্ট্ৰীয় নেতাই ৰাজ্যত প্ৰচাৰ অভিযান চলাই আছে। এনে অভিযানৰ মাজতে মুখ্যমন্ত্ৰীৰ লগতে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহেও এইবাৰ এনডিএই ৯০ খনতকৈও অধিক আসন লাভ কৰিব বুলি মুকলি দাবী কৰিছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই পুনৰ এই দাবী স্পষ্ট কৰি কয়- বিজেপিয়ে এই নিৰ্বাচনত ক্লীন শুইপ কৰি ৯০ৰ পৰা ১০০খন আসন লাভ কৰিব। আনহাতে, বৰাক উপত্যকাৰ ১৩খন আসনৰ ভিতৰত এনডিএ ৯খনৰ পৰা ১১খন আসন লাভ কৰিব। এই প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয়- বৰাকৰ সনাতনী সমাজে বিজেপিক ভাল পায়। বৰাকৰ কিছু নেতাৰ প্ৰতি অলপ খং থাকিলেও আমাৰ আৰু প্ৰধানমন্ত্ৰীৰ মোদীৰ মুখখনলৈ চাই সকলোৱে বিজেপিক ভোট দিব। ইফালে, বৰাকৰ সংখ্যালঘু ভোটাৰৰ ২-৩ শতাংশ ভোট বিজেপিয়ে লাভ কৰিব বুলিও আ দাবী কৰে।

# পুনৰ অসুস্থ গৰিমা শইকীয়া গাৰ্গ



ৰঙিলী বাৰ্তাসেৱা- পুনৰ অসুস্থ হৈ পৰিছে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গ। শুকুৰবাৰে দুপৰীয়াৰ ভাগত তেওঁক গুৱাহাটীৰ দিছপুৰ হাস্পতালত ভৰ্তি কৰোৱা হয় হাস্পতালখনৰ চিকিৎসক ডাঃ চন্দন মোদকে সদৰী কৰা অনুসৰি গৰিমা শইকীয়া গাৰ্গৰ দেহত ৰক্তচাপ আৰু শৰ্কৰাৰ পৰিমাণ অবিশ্বাস্যভাৱে নিম্নগামী হৈ পৰিছে। যাৰ বাবে তেওঁ হঠাতে অসুস্থ হৈ পৰিছে। গৰিমা শইকীয়া গাৰ্গৰ স্বাস্থ্য সন্দৰ্ভত সংবাদ মাধ্যমৰ আগত চিকিৎসকে জানিবলৈ দিয়ে যে, শুকুৰবাৰে বিয়লি, বজাত তেওঁক দিছপুৰ হাস্পতালত ভৰ্তি কৰোৱা হয় । দেহত শৰ্কৰা আৰু ৰক্তচাপ কমি যোৱাৰ বাবে তেওঁ অসুস্থ হৈ পৰিছিল । চিকিৎসা আৰম্ভ কৰাৰ পিছত তেওঁ পূৰ্বতকৈ কিছু সুস্থ হৈছে যদিও এতিয়াও সম্পূৰ্ণ সুস্থ হোৱা নাই । সম্পূৰ্ণ সুস্থ হ'বলৈ তেওঁক কিছু সময়ৰ প্ৰয়োজন হ'ব । সেইবাবে আগন্তুক ২-৩ দিন তেওঁ হাস্পতালতে চিকিৎসাধীন হৈ থাকিব লাগিব । অসুস্থতাৰ সন্দৰ্ভত চিকিৎসকে অধিক তথ্য দি কয়, "যোৱা তিনিদিন ধৰি তেওঁ সঠিকভাৱে আহাৰ গ্ৰহণ কৰা নাই আৰু টোপনিও হোৱা নাই । নোখোৱা-নোবোৱাৰ বাবে তেওঁৰ ওজন কমিছে

# সূৰ্য-চন্দ্ৰ থকালৈকে অগপ-বিজেপিৰ বন্ধুত্ব সদায় থাকিবঃঅমিত শ্বাহ




ৰঙিলী বাৰ্তাসেৱা- নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে ৰাজ্যৰ চৌদিশে নিৰ্বাচনৰ প্ৰচাৰ অভিযান তুংগত উঠিছে। কলিয়াবৰৰ মিছা হাইস্কুল খেলপথাৰত অনুষ্ঠিত নিৰ্বাচনী সভাত এন ডি এ তথা অগপৰ প্ৰাৰ্থী কেশৱ মহন্তৰ হৈ নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে। নিৰ্বাচনী সভাত তেওঁ আক্ৰমণৰ লক্ষ্য কৰি লয় বিৰোধী দল কংগ্ৰেছক। কংগ্ৰেছৰ বিৰুদ্ধে এটাৰ পিছত আন এটাকৈ গুৰুতৰ অভিযোগ উত্থাপন কৰে মন্ত্ৰীগৰাকীয়ে। তেওঁ অভিযোগ কৰে যে কংগ্ৰেছৰ শাসন কালত অসমে কেৱল উপেক্ষিত হৈ আছিল। তেওঁলোকৰ শাসন কালত অসমৰ গৌৰৱ তথা বিশ্ব প্ৰসিদ্ধ কাজিৰঙা ৰাষ্ট্ৰীয় অভয়াৰণ্য অনুপ্ৰৱেশকাৰীৰ হাতত গতাই দিছিল। কাজিৰঙাত অনুপ্ৰৱেশকাৰীক বেদখল কৰাৰ সুযোগ দিছিল। যাৰ ফলত বন্য জীৱ-জন্তু আৰু পৰিৱেশৰ বৃহৎ ক্ষতি হয় বুলি উল্লেখ কৰি তেওঁ কয় যে আমাৰ চৰকাৰ অহাৰ পিছত পুনৰ কাজিৰঙাক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰা হৈছে। এতিয়া কাজিৰঙা সম্পূৰ্ণভাৱে সুৰক্ষিত। আমাৰ চৰকাৰে কেৱল কাজিৰঙাত বেদখল মুক্ত কৰাই নহয়, কাজিৰঙাক বিশ্বৰ পৰ্যটন মানচিত্ৰত এক নতুন মাত্ৰা প্ৰদান কৰিছে। ফলত দেশ-বিদেশৰ লাখ লাখ পৰ্যটকে কাজিৰঙা ভ্ৰমণ কৰিছে। ইয়াৰ ফলত স্থানীয় লোকসকলে কৰ্মসংস্থাপনৰ সুযোগ লাভ কৰিছে। তেওঁ ( নপৃষ্ঠাত চাওক)

# ৩ বছৰত আমেৰিকাৰ দৰে হ'ব অসমৰ পথঃ নীতিন গাডকাৰী




ৰঙিলী বাৰ্তাসেৱা- নিৰ্বাচন চমু চাপি অহাৰ লগে লগে প্ৰতিদিনে অসমলৈ কেন্দ্ৰীয় নেতা তথা মন্ত্ৰীৰ আগমন হৈছে । শাসক-বিৰোধী সকলোৱে শীৰ্ষ নেতাসকলে অসমত নিজা নিজা সমৰ্থিত প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাইছে । তাৰ মাজতে বৃহস্পতিবাৰে অসমত উপস্থিত হয় কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰী নীতিন গাডকাৰী । প্ৰথমে পলাশবাৰী সমষ্টিত হিমাংশু শেখৰ বৈশ্যৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলালে আৰু তাৰ পিছত মধ্য গুৱাহাটী সমষ্টিত বিজয় গুপ্তাৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাই কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে। মধ্য গুৱাহাটী সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী বিজয় কুমাৰ গুপ্তাৰ হৈ ফাঁচিবজাৰত এখন নিৰ্বাচনী জনসভাত অংশ লৈ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, 'ব্ৰহ্মপুত্ৰক লৈ মোৰ বহুত সপোন আছে। ব্ৰহ্মপুত্ৰ খনন কৰি মুম্বাইৰ মেৰিন ( নপৃষ্ঠাত চাওক)

# হাজো-শুৱালকুছি সমষ্টিত পোষ্টেল যোগে ভোট গ্ৰহণ



ৰঙিলী বাৰ্তাসেৱা- ভাৰতবৰ্ষৰ সংবিধানৰ ৩৯৫ নং অনুচ্ছেদত মৌলিক অধিকাৰত অন্তৰ্ভুক্ত ভোটাধিকাৰ। এগৰাকী বিখ্যাত ব্যক্তিৰ উক্তিত পাইছিলো-গণতন্ত্ৰ হ'ল জনসাধাৰণক লৈ, জনসাধাৰণৰ কাৰণে আৰু জনসাধাৰণৰ দ্বাৰা পৰিচালিত চৰকাৰ। এইবাৰ হাজো-শুৱালকুছি সমষ্টিত পাঁচ গৰাকী প্ৰাৰ্থী প্ৰতিদণ্ডিতা কৰিছে। সেইসকল হ'ল-অসম গণ পৰিষদৰ প্ৰকাশ দাস, কংগ্ৰেছৰ নন্দিতা দাস, তৃণমূল কংগ্ৰেছৰ ফুনু দাস, নিৰ্দলীয় ৰাজু পাটোৱাৰী আৰু সিদ্ধাৰ্থ দাস। আটাইলৈকে শুভেচ্ছা জনালোঁ। ৩১মাৰ্চ ২০২৬তাৰিখে অনামিকা (সংগীতা)কলিতাৰ বিশেষভাৱে সক্ষম সন্তান পাৰ্থ কলিতাই পোন প্ৰথম বাৰ পোষ্টেল যোগে গোপনীয়তা ৰক্ষা কৰি ভোট দি নিজৰ অধিকাৰ সাব্যস্ত কৰিলে। এখন দেশ সুস্থ সফলভাৱে পৰিচালিত হ'বলৈ নিখুটভাৱে ভোটদান প্ৰক্ৰিয়া জৰুৰী সেয়া দেখিবলৈ পাই সুখী অনুভৱ কৰিছোঁ । বুথ বিষয়া(বিয়েলো) ববী কলিতাৰ লগতে এই সেৱাত জড়িত প্ৰতিগৰাকী ব্যক্তিক ধন্যবাদ জনাইছোঁ।

# ৰাজ্যসভাৰ উপ-দলপতি পদৰ পৰা অপসাৰণ ৰাঘৱ চাড্ডাক



ৰঙিলী বাৰ্তাসেৱা- ৰাজ্যসভাৰ উপ-দলপতি পদৰ পৰা ৰাঘৱ চাড্ডাক অপসাৰণ কৰিলে আম আদমী পাৰ্টিয়ে। ৰাজ্যসভাত পঞ্জাৱৰ ৭জন আৰু দিল্লীৰ তিনিজন সদস্যকে ধৰি ১০জন সদস্য আছে। আম আদমী পাৰ্টীয়ে সাংসদ চাড্ডাক উপ- ( পাঁচ পৃষ্ঠাত চাওক)

# শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ত যুৱ মহোৎসৱৰ উদযাপন



ৰঙিলী বাৰ্ত্তাসেৱা- শিক্ষাই অন্ধকাৰৰ পৰা পোহৰৰ দিশলৈ গতি কৰায় ।শিক্ষাৰ লগতে ছাত্ৰ-ছাত্ৰীৰ নিজৰ প্ৰতিভা সমূহ প্ৰতিফলন কৰাৰ উদ্দেশ্যে প্ৰতিবছৰে মহাবিদ্যালয়ৰ পৰ্যায়ত ছাত্ৰ-ছাত্ৰীৰ মাজত যুৱ মহোৎসৱ উদযাপন কৰি আহিছে। বিগত বৰ্ষৰ দৰে এইবেলিও ২৭মাৰ্চ পৰা ২এপ্ৰিল ২০২৬লৈ বিভিন্ন কাৰ্যসূচীৰে শুৱালকুছিৰ বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ যুৱ মহোৎসৱৰ অনুষ্ঠানটি অনুষ্ঠিত হয়। কাৰ্যসূচী অনুসৰি ১এপ্ৰিল তাৰিখে প্ৰতিটো বিভাগৰ ছাত্ৰ-ছাত্ৰীয়ে সুকীয়া সুকীয়াকৈ অসমীয়া কৃষ্টি-সংস্কৃতিৰ প্ৰদৰ্শন কৰি এক বৰ্ণিল শোভাযাত্ৰা আয়োজিত কৰে। শোভাযাত্ৰাৰ অন্ততঃ বিভিন্ন শিতানত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাৰ বিজয়ী ছাত্ৰ-ছাত্ৰী সকলক বঁটা প্ৰদান কৰে। ( নপৃষ্ঠাত চাওক)

# ডিব্ৰুগড়ত বিধান সভা নিৰ্বাচনৰ মাইক্ৰ' অবজাৰ্ভাৰৰ সভা তথা প্ৰশিক্ষণ অনুষ্ঠান সম্পন্ন

ৰঙিলী বাৰ্ত্তাসেৱা- অনাগত অসম বিধানসভাৰ সাধাৰণ নিৰ্বাচন-২০২৬ৰ সৈতে সংগতি ৰাখি ডিব্ৰুগড় জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত মাইক্ৰ' অবজাৰ্ভাৰ সকলৰ বাবে এক সভা তথা প্ৰশিক্ষণ অনুষ্ঠান অনুষ্ঠিত হয়। সাধাৰণ পৰ্যবেক্ষকদ্বয় ক্ৰমে টি.এন. ভেঙ্কটেশ, আই.এ.এচ. আৰু চিপহাং আৰ্থাৰ ৱ্ৰুইয়ো, আই.এ.এচ.-ৰ সভাপতিত্বত এই সভাখন অনুষ্ঠিত হয়। সভাত ভোটগ্ৰহণৰ দিনা মাইক্ৰ' অবজাৰ্ভাৰসকলৰ ভূমিকা আৰু দায়িত্বৰ লগতে ভাৰতীয় নিৰ্বাচন আয়োগৰ নীতি-নিৰ্দেশনাসমূহ কঠোৰভাৱে পালন কৰাৰ সন্দৰ্ভত আলোচনা কৰা হয়। এই প্ৰশিক্ষণকালত মাইক্ৰ' অবজাৰ্ভাৰসকলৰ কৰ্তব্য, ভোটগ্ৰহণৰ দিনাৰ প্ৰতিবেদন দাখিলৰ ব্যৱস্থা, নিৰ্বাচনী প্ৰক্ৰিয়াত স্বচ্ছতা অটুট ৰখা আৰু এক মুক্ত, নিকা তথা শান্তিপূৰ্ণ নিৰ্বাচন নিশ্চিত কৰাৰ ওপৰত বিতংভাৱে আলোচনা কৰা ( নপৃষ্ঠাত চাওক)

# ফটোযুক্ত ভোটাৰ পৰিচয়-পত্ৰৰ উপৰি ১২বিধ নথিৰে কৰিব পাৰিব ভোটদান

ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যত ৯ এপ্ৰিলত এদিনতে ১২৬ টা বিধানসভা সমষ্টিত নিৰ্বাচন অনুষ্ঠিত হ'ব ।স্বচ্ছ আৰু নিকাভাৱে নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে সকলো প্ৰস্তুতিৰে সাজু হৈছে নিৰ্বাচন আয়োগ । ভোটদানৰ সময়ত পৰিচয় প্ৰদানৰ বাবে ফটোযুক্ত ভোটাৰ পৰিচয় পত্ৰৰ উপৰি কি কি নথি প্ৰযোজ্য হ'ব, সেই সন্দৰ্ভত নিৰ্বাচন আয়োগে অনুমোদন জনাইছে। নিৰ্বাচন আয়োগে ১২ বিধ নথিত অনুমোদন জনাইছে । এই সন্দৰ্ভত এক বিজ্ঞপ্তিযোগে নিৰ্বাচন আয়োগে জনায় যে আগন্তুক অসম বিধানসভাৰ সাধাৰণ নিৰ্বাচনত ফটোযুক্ত পৰিচয়-পত্ৰ পোৱা ভোটাৰসকলে ভোটদানৰ সময়ত তেওঁলোকৰ এই পৰিচয়-পত্ৰ দেখুৱাব লাগিব। যিসকল ভোটাৰৰ ফটোযুক্ত পৰিচয়-পত্ৰ নাথাকে তেওঁলোকে আয়োগে নিৰ্দিষ্ট কৰা ১২বিধ নথিৰ যিকোনো এবিধ দেখুৱাই ভোটদান কৰিব পাৰিব। এই ৰবিধ নথিৰ ভিতৰত আছে- আধাৰ কাৰ্ড, এমজি এনৰেগাৰ জবকাৰ্ড, বেংক/ডাকঘৰৰ পাছবুক (ফটোসহ), আয়ুষ্মান ভাৰত/স্বাস্থ্য বীমা স্মাৰ্ট কাৰ্ড, গাড়ীচালনাৰ অনুজ্ঞাপত্ৰ (ড্ৰাইভিং লাইচেঞ্চ), পান কাৰ্ড, ৰাষ্ট্ৰীয় জনসংখ্যা পঞ্জীৰ (এনপিআৰ) স্মাৰ্ট কাৰ্ড, ভাৰতীয় ( নপৃষ্ঠাত চাওক)

# ফাষ্টট্ৰেক আদালতত শুনানি প্ৰক্ৰিয়া পৰ্যবেক্ষণ মহাধিবক্তা দেৱজিৎ শইকীয়াৰ



ৰঙিলী বাৰ্ত্তাসেৱা- ফাষ্টট্ৰেক আদালতত চলি থকা প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰৰ বিচাৰপ্ৰক্ৰিয়াৰ তৃতীয় দিনটোত বুধবাৰে শুনানিত উপস্থিত থাকে অসম চৰকাৰৰ মহাধিবক্তা দেৱজিৎ শইকীয়া। ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতত উপস্থিত থাকি মহাধিবক্তাগৰাকীয়ে শুনানি প্ৰক্ৰিয়াৰ বুজ লয়। অসম চৰকাৰৰ মোকৰ্দমা সঞ্চালক (Director of Prosecution) মাখন ফুকনৰ সৈতে আদালতত উপস্থিত থাকি মহাধিবক্তাই কেইবাঘণ্টা ধৰি গোচৰৰ বিচাৰ প্ৰক্ৰিয়া, যুক্তিপৰ্ব নিৰীক্ষণ কৰে। ইয়াৰ পিছতে সংবাদ মাধ্যমৰ আগত ৰাজ্য চৰকাৰৰ মহাধিবক্তা দেৱজিৎ লন শইকীয়াই কয় যে জুবিন গাৰ্গৰ মৃত্যু গোচৰত যাতে কোনো বিসংগতি নাথাকে সেয়া ৰাজ্য চৰকাৰে পৰ্যায়ক্ৰমে নিৰীক্ষণ কৰি আছে। সংবাদ মাধ্যমৰ আগত দেৱজিৎ লন শইকীয়াই কয় যে গোচৰটোৰ দৈনিক শুনানি হৈ আছে। জ্যেষ্ঠ অধিবক্তা জিয়াউল কামাৰৰ নেতৃত্বৰ স্পেচিয়েল প্ৰচিকিউচন টীমে গোচৰটো খুব ভালকৈ চাই আছে। ৰাজ্য চৰকাৰৰ মহাধিবক্তা হিচাপে মই গোচৰৰ শুনানিত উপস্থিত থাকোঁ। গোচৰটোত যাতে কোনো বিসংগতি বা সুৰুঙা থাকি নাযায় তাক নিৰীক্ষণ কৰি আছোঁ। গোচৰটো যাতে সুকলমে নিষ্পত্তি কৰিব পৰা যায় তাকো নিৰীক্ষণ কৰি থকা হৈছে। এই গোচৰটোক অসম চৰকাৰে প্ৰথম অগ্ৰাধিকাৰ দিছে। সেই কাৰণে আদালতলৈ মই নিজে আহিছোঁ। আমাৰ সাতজনীয়া প্ৰচিকিউচন টীমে বিপৰীত পক্ষৰ যুক্তিবোৰ টুকি লৈছে আৰু বিপৰীত পক্ষৰ যুক্তিবোৰ শেষ হোৱাৰ পিছত ইয়াৰ প্ৰত্যুত্তৰ দিয়া হ'ব। এইক্ষেত্ৰত যদি প্ৰয়োজন হয় মই নিজেও আদালতত যুক্তি দিম।

# ৰাজ্যসভাৰ উপ-দলপতি

দলপতিৰ পদৰ পৰা অপসাৰণ কৰি ৰাজ্যসভাত নেতৃত্বৰ গাঁথনিত বৃহৎ পৰিৱৰ্তন সাধন কৰিছে। এতিয়াৰে পৰা চাদ্দাৰ স্থানত দায়িত্ব নিৰ্বাহ কৰিব লুধিয়ানাৰ সাংসদ তথা লাভলী প্ৰফেচনেল ইউনিভাৰ্চিটিৰ প্ৰতিষ্ঠাপক অশোক মিট্টালে। সচিবালয়লৈ প্ৰেৰণ কৰা এখন পত্ৰত দলটোৱে স্পষ্ট কৰি দিছে যে অশোক মিট্টালে ভৱিষ্যতেও ৰাজ্যসভাত দলৰ উপ-দলপতি হিচাপে কাৰ্যনিৰ্বাহ কৰি যাব। সূত্ৰ অনুসৰি আম আদমী পাৰ্টিয়ে ৰাজ্যসভা সচিবালয়ক অৱগত কৰিছে যে সাংসদ ৰাঘৱ চাদ্দাক সংসদত ভাষণ দিবলৈ সময় দিয়াটো উচিত নহয়। উল্লেখ্য যে তেওঁ ৰাজ্যসভাত ৰাজহুৱা বিষয়, মধ্যবিত্তৰ বিভিন্ন সমস্যাক লৈ ধাৰাবাহিকভাৱে ভাষণ প্ৰদান কৰি আহিছিল। গিগ ৱৰ্কাৰৰ অধিকাৰ সুৰক্ষিত কৰা, ভাৰতৰ ডাঙৰ ডাঙৰ চহৰসমূহৰ যাতায়াতৰ পৰিস্থিতি অধিক বেয়া, বিমানবন্দৰত ১০ টকীয়া চাহ হওক, এক মহীয়া ৰিচাৰ্জ প্লেন দৰে বিষয়সমূহ সংসদত উত্থাপন কৰি আহিছিল তেওঁ। ৰাঘৱ চাদ্দাক পদৰ পৰা অপসাৰণ কৰাটো বৃহস্পতিবাৰৰ দিনটোত দেশৰ ৰাজনৈতিক মহলত চৰ্চাৰ বিষয় হৈ পৰিছে ।বিগত কিছুদিন ধৰি দলৰ ভিতৰচ'ৰাত ভিন্ন বিষয়ত চাদ্দাৰ সক্ৰিয় ভূমিকাক লৈ বহু প্ৰশ্নও উত্থাপন হৈছে। মন কৰিবলগীয়া যে ইয়াৰ পূৰ্বে দলৰ তাৰকা প্ৰচাৰকৰ তালিকাৰ পৰা ৰাঘৱ চাদ্দাৰ নাম বাদ পৰিছিল। সেই বিষয়টোৱেও যথেষ্ট চৰ্চা লাভ কৰিছিল। বৰ্তমান সংসদীয় দলত চাদ্দাক পদৰ পৰা আঁতৰ কৰাটোও সেই ধাৰাৰে অংশ বুলি গণ্য কৰা হৈছে।

# বৰখলা-ঢলাই-হাইলাকান্দি

দূৰ কৰিবলৈ ৰতনপুৰ ৰোডত এখন উৰণীয়া সেতু আৰু শিলচৰৰপৰা অসম বিশ্ববিদ্যালয় হৈ হাইলাকান্দিলৈ যোৱা পথটো ডাবললেন কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। বিৰোধী প্ৰাৰ্থী ৰাহুল ৰয়ক তীব্ৰ সমালোচনা কৰি ড° শৰ্মাই কয় যে যি সন্তানে নিজৰ দেউতাকক সন্মান নকৰে তেওঁ হাইলাকান্দিৰ দুখীয়া ৰাইজক কেতিয়াও সন্মান কৰিব নোৱাৰে। ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে ধলাই বিধানসভা সমষ্টিৰ পালংঘাট উচ্চমাধ্যমিক বিদ্যালয় খেলপথাৰত নিৰ্বাচনী সভাত ভাষণ দি কয় যে ধলাই সমষ্টিত বিজেপিৰ প্ৰাৰ্থী অমিয় কান্তি দাস ৫০ হাজাৰ ভোটত জয়ী হোৱাটো নিশ্চিত। সমষ্টি পুনৰ নিৰ্ধাৰণৰ ফলত ধলাইৰ ভৌগোলিক পৰিসৰৰ কিছু সালসলনি ঘটিছে যদিও নতুনকৈ অন্তৰ্ভুক্ত হোৱা এলেকাসমূহতো বিজেপিৰ শক্তি বৃদ্ধি পাইছে বুলি তেওঁ দাবী কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে বিজেপি চৰকাৰ অহাৰ পাছত ৰাজ্যৰ দুখীয়া পৰিয়ালসমূহে চাউল, দাইল, নিমখ, চেনি আৰু চাহপাতৰ লগতে এতিয়াৰেপৰা মাহে এক লিটাৰকৈ মিঠাতেলো বিনামূলীয়াকৈ লাভ কৰিব। ধলাইত কাৰ কাৰ অৰুণোদয় আঁচনি নাই সেই বিষয়ে বুজ লৈ তেওঁ ঘোষণা কৰে যে অনাগত দিনত কোনো যোগ্য হিতাধিকাৰী এই আঁচনিৰপৰা বঞ্চিত নহয়। আনহাতে বিৰোধী দল কংগ্ৰেছক তীব্ৰ সমালোচনা কৰি ড° শৰ্মাই কয় যে কংগ্ৰেছে কেৱল ধুতী, লুঙী আৰু কম্বল দিয়াৰ ৰাজনীতিহে কৰে, কিন্তু বিজেপি চৰকাৰে জনসাধাৰণক অৰুণোদয়ৰ দৰে আঁচনি আৰু লাখ লাখ চৰকাৰী চাকৰি প্ৰদান কৰি প্ৰকৃত উন্নয়ন কৰিছে। কাটিগড়া বিধানসভা সমষ্টিৰ হিলাৰা মাঠত আয়োজিত সভাত অংশ লৈ ড° শৰ্মাই কয় যে কাটিগড়াবাসীৰ মৰমে প্ৰমাণ কৰিছে যে ইয়াত বিজেপিৰ জয় নিশ্চিত। তেওঁ কয় যে অহা ৯ এপ্ৰিলত হ'বলগীয়া নিৰ্বাচনৰ বাবে চলোৱা যোৱা তিনি মাহৰ যাত্ৰাত তেওঁ শদিয়াৰ পৰা ধুবুৰীলৈ ৩০০তকৈও অধিক সভা সম্পন্ন কৰিছে। তেওঁ দৃঢ়তাৰে কয় যে এইবাৰ বিজেপি দলে ৯০১পৰা ১০০খন আসন লাভ কৰি চৰকাৰ গঠন কৰাটো নিশ্চিত আৰু কেৱল বৰাক উপত্যকাৰ ১৩খন আসনৰ ভিতৰত ৯ৰ পৰা ১১খন আসনেই বিজেপিয়ে লাভকৰিব। বিশেষকৈ কাটিগড়া সমষ্টিত দলীয় প্ৰাৰ্থী কমলাক্ষ দেৱপুৰকায়স্থ ৫০ হাজাৰ ভোটৰ ব্যৱধানত জয়ী হ'ব বুলি তেওঁ ভৱিষ্যদ্বাণী কৰে। চাহ বাগানৰ শ্ৰমিকসকলৰ মজুৰি বৃদ্ধি কৰাৰ লগতে চাহ শ্ৰমিকসকলক ভূমিৰপট্টা আৰু পি এম আৱাস যোজনাৰ অধীনত ১৫ লাখ নতুন ঘৰ নিৰ্মাণ কৰি দিয়া হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। বৰখলা বিধানসভা সমষ্টিৰ শিলকুৰি চাহ বাগিচা খেলপথাৰত নিৰ্বাচনী প্ৰচাৰ চলাই মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে বৰখলা সমষ্টিৰ বিজেপি প্ৰাৰ্থী কিশোৰ নাথক জয়ী কৰোৱাৰ বাবে জনসাধাৰণে যি সংকল্প লৈছে, তাৰ ফলত সমষ্টিটোত কংগ্ৰেছ দল নিশ্চিহ্ন হৈপৰিব।

# জীৱন সমস্যাৰে পূৰ্ণ--হাঁহি আৰু কান্দোন তাৰ অস্ত্ৰ




প্ৰতিগৰাকী সতীৰ্থৰে মঙ্গল কামনা কৰি আজিৰ শিতানৰ বিষয়বস্তুৰ ওপৰত লিখিবলৈ প্ৰয়াস কৰিলোঁ।

জন্মৰে পৰা জীৱনটো আগুৱাই নিবলৈ বিভিন্ন সমস্যাৰ সন্মুখিন হ'ব লগা হয়। সৰুতে যেতিয়া কোনো সমস্যা হয় তেতিয়া মা, দেউতা বা ঘৰখনৰ বয়োজ্যেষ্ঠ সকলে সমাধান কৰে। সমস্যা সমাধানৰ আনন্দত হাঁহি বিৰিঙি উঠে । কিন্তু কোনোবা সময়ত যদি

**নমিতা দাস, শুৱালকুছি**

বিচৰা ধৰনে কৰিব নোৱাৰে বা সমস্যাটো শেষ নহয় বা ঘৰৰ মানুহে কৰি দিবলৈ ইচ্ছা প্ৰকাশ নকৰে তেতিয়া কান্দি-কাতি হ'লেও মনৰ ইচ্ছা পালন কৰাটো শিশু সকলৰ অভ্যাস ।

"কথাতে কয় কথাত বটা পায় কথাত কটা যায়"

বয়স বঢ়াৰ লগে লগে সমস্যাবোৰো ডাঙৰ হয়। জীৱনত আগুৱাই যাবলৈ বিভিন্ন সমস্যাৰ সন্মুখিন হোৱাটো স্বাভাবিক কোনো কোনো সময়ত সমস্যাবোৰ সমাধানৰ বাবে মগজুৰ প্ৰয়োগ নিতান্তই প্ৰয়োজন। হাতেৰে বলে নোৱাৰিলে খং ৰাগেৰে সমস্যা সমাধান কৰিব নোৱাৰি বৰং খং কৰি মিছাৰ আশ্ৰয় ললে সমস্যা বাঢ়ে হে নকমে। মিঠা কথা আৰু সুস্থ মগজুৰে হাঁহি ফূৰ্তী কৰি পৰিয়ালৰ লগত আলোচনাৰ মাধ্যমে কিছুমান সমস্যাৰ সমাধান আনি দিয়ে।

আন হাতে কিছুমান সমাস্যা সমাধানৰ বাবে চলাহি কথা কৈ মিছাৰ আশ্ৰয় লোৱাও পৰিলক্ষিত হয়। কিছুমান চালাকি মানুহে অকাৰণতে কন্দা কটা কৰি ঘৰিয়ালৰ চকু পানী টোকে আনহাতে কিছুমানে সমস্যাটো সমাধানক মুল অস্ত্ৰ হিচাপে লৈ বিনা কাৰণতে হাঁহিৰে ওপচাই সমস্যাৰ পৰা হাত সাৰিব বিচাৰে।

গতিকে মানুহৰ নিজৰ নিজৰ চিন্তা ধাৰণাক শুদ্ধ চিত্ৰে মুল অস্ত্ৰ হিচাপে লৈ সমস্যাবোৰ সমাধানৰ চেষ্টা কৰাটো প্ৰয়োজন বুলি ভাবো।

# নিৰ্বাচন ব্যৱস্থা আৰু ভোটাঅধিকাৰ




**অনামিকা (সংগীতা)কলিতা, শুৱালকুছি**

সাম্প্ৰতিক সময়ত গুৰুত্বপূৰ্ণ বিষয়। সংবিধানৰ ৩৯৫ নং অনুচ্ছেদত মৌলিক অধিকাৰত অন্তৰ্ভূক্ত আমাৰ ভোটাধিকাৰ। জ্ঞানী গুণী ব্যক্তিয়ে কোৱা কথাবোৰ অকণমান প্ৰকাশ কৰিবলৈ প্ৰয়াস কৰিলোঁ।

এগৰাকী বিখ্যাত ব্যক্তিৰ উক্তিত পাইছিলো- গণতন্ত্ৰ হ'ল জনাসাধাৰণক লৈ, জনসাধাৰণৰ কাৰণে আৰু জনসাধাৰণৰ দ্বাৰা পৰিচালিত চৰকাৰ। গতিকে বৰ্তমান যেন কথাখিনি অকণমান অমিল দেখিবলৈ পাওঁ সেয়া সময়ে কৰিব। বৰ্তমান নিৰ্বাচন ব্যৱস্থা বহুত পৰিৱৰ্তন হৈছে। এয়া সময়ৰ আহ্বান তথাপিও আমি গণতন্ত্ৰক বিশ্বাস কৰো মনে প্ৰাণে মানি লৈছোঁ কিন্তু কিছুমান বিসংগতি দেখিলে মন কোঁচ খাই আহে। এতিয়া প্ৰলোভনৰ ৰাজনীতি, উপযুক্ত প্ৰাৰ্থী দেখা নাপাওঁ কিন্তু দল (প্ৰাৰ্টি)ঠিকে থাকে ।এখন দেশ বা ৰাজ্যৰ দায়িত্ব লোৱা নেতা গৰাকী শিক্ষা-দীক্ষাঃ, বিচক্ষণ ৰাজনৈতিক গুণ থাকিলেহে দেশখনৰ উন্নতি আশা কৰিব পাৰি কিন্তু বাস্তৱত এপাচি শাকত এটা জালুকৰ দৰে। গতিকে সময়ৰ লগে লগে সংবিধানত ইয়াৰ পৰিসৰ উন্নতি সংশোধনীৰ প্ৰয়োজন আছে বা সময়ে সময়ে কিছু সংশোধন কৰাও দেখা পাইছোঁ।

বৰ্তমানৰ গণতন্ত্ৰৰ নিৰ্বাচন ব্যৱস্থা আসোঁৱাহ আছে বুলি কোৱা শুনিছোঁ। ভোট দান প্ৰক্ৰিয়া নিকা কৰি তুলিবলৈ হ'লে প্ৰলোভনৰ ৰাজনীতি বন্ধ কৰিব লাগিব আৰু জনসাধাৰণক মুক্ত মনে নিজৰ প্ৰাৰ্থী নিৰ্বাচন কৰাৰ সুবিধা দিয়া। নিৰ্বাচন আয়োগৰ গণতন্ত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা আছে। নিৰ্বাচন আয়োগে কিছুমান নিয়ম লিপিবদ্ধ কৰি সেইবোৰ নিৰ্বাচনত অংশগ্ৰহণ কৰা পাৰ্থীৰ লোক সকলক অৱগত কৰিব লাগে বা কৰা দেখা পাইছোঁ। সেয়া শুদ্ধকৈ হ'লেহে গণতন্ত্ৰ প্ৰকৃত ব্যৱস্থা প্ৰয়োগ হ'ব আৰু এখন সুস্থ সবল চৰকাৰ তথা দেশ আশা কৰিব পাৰি।

# বসন্তৰ গান



**প্ৰভাত বণিয়া**

গছে বনে সেউজীয়া ধুনীয়া পৃথিৱী
জিৰ জিৰ নিজৰাৰ কুলু কুলু গান ফুলিছে ফুল
নাহৰ, তগৰ, গোলাপ আৰু কপৌফুল
কোমল কুঁহিপাতৰ আৰে আৰে
লহপহীয়া ডালে ডালে
নাচিছে কুলি কেতেকী
গাইছে গীত সুললীত সুৰে
আবেগ বিহুল প্ৰাণ
পোহৰৰ পদধ্বনি
সৰ সৰ আনন্দাশ্ৰু
উৰুলি জোকাৰ শংখধ্বনি
উটিছে ভাঁহিছে
তোমাৰ দেহৰ গোলাপী সুবাস
আমোলমোল আজি
মোৰ বিদিৰ্ণ পদুলি।

# ব্যৰ্থ কবি



**অসীম জ্যোতি দাস, মৰিগাঁও**

কেনে আছা কল্যাণী ?
আজি বহু দিনেই হ'ল তোমাৰ খবৰ নোপোৱা
মাজে মাজে খবৰ লবলৈ চেষ্টা নকৰা নহয়
কিন্তু !
মোৰ সেই চেষ্টাহে ব্যৰ্থ ।
এই ব্যৰ্থতাৰ শেষত
অতীত ক্ষণ ৰোমন্থন কৰি তোমাক বিচাৰোঁ
কিন্তু,
তাতো তুমি মোৰ পৰা আঁতৰি থাকিব বিচাৰা,
তাতো যেন ব্যৰ্থ হৈ পৰো
মই নামৰ এই পদাৰ্থবিধ
আৰু তেতিয়াই দুচকুত ভিৰ কৰেহি স্মৃতি বোৰে ।
তোমাৰ ঢৌ খেলা মেঘালী চুলি কোঁচা আজিও একেই আছেনে ?
কেতিয়াবা তোমাৰ সেই চুলি কোঁচা
নিদ্ৰাহীন মাজৰাতি দেউতাৰ আৰামী চকীখনত বহি
চিগাৰেটৰ ধোঁৱাৰে আঁকিব বিচৰোঁ
কিন্তু তাতো মই ব্যৰ্থ
আৰু কেতিয়াবা হুইস্কিৰ গ্লাচ হাতত লৈ
দুচকুত ভিৰ কৰা স্মৃতি বোৰ ৰোমন্থন কৰিব বিচাৰোঁ,
কিন্তু !
তেতিয়াও এই কবি ব্যৰ্থ
মুঠতে কল্যাণী নামটোৱেই ব্যৰ্থ এই কবিৰ বাবে।

# কবি



**অনিন্দিতা কলিতা, সৃজনগ্ৰাম, বঙাইগাঁও**

যদি এগৰাকী কবিৰ হিয়া ভাঙে
ভঙা হিয়াৰ টুকুৰাবোৰ এক গোট কৰি,
বিষাদৰ ভাষাৰে নিগৰি যায় হেজাৰ কবিতা ।
সেই কবিতা মাজেৰে বৈ যায়
হেজাৰ অনুভৱৰ চকুলো,
বৈ যায় হৃদয়ৰ সমস্ত হুমুনিয়াহ,
বগা কাগজে সাক্ষী হৈ ৰয়,
নীলা কলমটোৰ সৈতে।
শব্দবোৰেও খেল খেলে
আলসুৱা মনটোৰ সৈতে,
শব্দবোৰে গঢ় লয়
এগৰাকী হিয়া ভঙা কবিৰ
হৃদয় বিদাৰক কবিতাৰ ৰূপত ।
শব্দবোৰেও চকুলো বোৱাই
কবিতাৰ ৰূপত ।
অনুভৱবোৰে থুপ বান্ধি ৰয়,
হৃদয়ৰ কোনোবা এটি কোণত।

# এপ্ৰিল ফুল




মৰমৰ মইনাহঁত, প্ৰতি বছৰে এক এপ্ৰিল দিনটোত এজনে আন এজনক 'এপ্ৰিলফুল' কৰে। তোমালোকে বন্ধু বান্ধৱীক এপ্ৰিল ফুল কৰি পাইছানে? 'এপ্ৰিল ফুল' মানে মিছা কথা কৈ আনক মূৰ্খ সজোৱা। 'মিছা কথাৰ ঠেং চুটি' বুলি আমাক জেষ্ঠ সকলে কৈয়ে থাকে নহয়নে বাৰু। কিন্তু বছৰৰ এটা দিনত অৰ্থাৎ এক এপ্ৰিল দিনটো হৈছে মিছা কথা কোৱাৰ দিন। সেই দিনটোত মিছা কথা ক'লে ধেমালি বুলি গণ্য কৰে। সেইদিনা মিছা কথা কোৱা জনৰ ওপৰত কাৰো খং নুঠে আৰু বেয়াও নাপায়।

**বন্দিতা শৰ্মা কন্দলি**

এই 'এপ্ৰিল ফুল' ৰ ধাৰণা টো বিদেশৰহে। জনাযায় ষষ্ঠদশ শতিকাত ফ্ৰান্সত বছৰ গণনা আৰম্ভ হৈছিল এপ্ৰিল মাহৰ পৰা। ফ্ৰান্সৰ নিয়ম অনুসৰি বছৰৰ প্ৰথম দিনা প্ৰতিজন প্ৰজাই ৰজাক নৱবৰ্ষৰ উপহাৰ দিব লাগে। সেই নিয়ম অনুসৰি সকলো প্ৰজাই ৰাজপ্ৰাসাদলৈ গৈ ৰজাক উপহাৰ প্ৰদান কৰে। ১৫৬৪ চনৰ ১ এপ্ৰিল তাৰিখে নিয়ম অনুসৰি ফ্ৰান্সৰ সকলো প্ৰজাই হাতত উপহাৰ লৈ ৰাজপ্ৰাসাদলৈ যায়। সকলো প্ৰজা ৰাজপ্ৰাসাদত গোট খোৱাৰ পাছত ৰজাই ঘোষণা কৰিলে যে এতিয়াৰ পৰা ১ এপ্ৰিলৰ পৰিবৰ্তে এক জানুৱাৰীৰ পৰাহে নতুন বছৰ ধৰা হ'ব আৰু ৰজাক কোনো ধৰণৰ উপহাৰ দিব নালাগে। প্ৰজা সকলৰ ৰজাৰ ঘোষণা শুনি খং উঠিছিল যদিও উপহাৰ দিয়াৰ প্ৰথা উঠাই লোৱা বাবে আনন্দ পাইছিল। ৰজাৰ ঘোষণা শুনি সেইদিনা প্ৰজা সকলে হাতত উপহাৰ লৈ পুনৰ ঘৰলৈ ঘূৰি আহিব লগাত পৰিছিল। তেতিয়া তেওঁলোকে ৰজাই সকলোকে মূৰ্খ সজালে বুলি ভাবিলে। এনেদৰেই এক এপ্ৰিল দিনটোত 'এপ্ৰিল ফুল ' হিচাপে প্ৰচলিত হয় বুলি পোৱা যায়।

আমি কেনেদৰে"এপ্ৰিল ফুল ' কৰিছিলোঁ কও শুনা। আমাৰ বাইদেউ এগৰাকীয়ে বগৰীগুৰি খাই বৰ ভাল পাইছিল। সেই কথা লগৰ বন্ধু বান্ধৱীয়েও জানিছিল।এক এপ্ৰিলৰ দিনা বাইদেউৰ লগৰ ছোৱালী এজনীয়ে কাগজৰ টোপোলা এটা আনি বাইদেউৰ হাতত দি কৈছিল "মায়ে তোলৈ বগৰীগুৰি দি পঠাইছে ল, মই যাও স্কুললৈ দেৰি হ'ব" বুলি কৈ দৌৰি গুচি গ'ল। পাছত বাইদেৱে আশাৰে টোপোলা খুলি দেখে ইটাৰ গুৰি হে। এপ্ৰিল ফুলৰ কথা পাহৰি যোৱাৰ বাবে *(বাৰপৃষ্ঠাত চাওক)*

# নিস্তব্ধ নিশাৰ আৱেগ



**ৰাখী মণি কলিতা, হাজৰিকাপাৰা**

নিস্তব্ধ নিশাৰ নিবিড় আধাৰত
যেতিয়া মনৰ দুৱাৰখন খোল খাই,
আৱেগে তেতিয়া গোপনে আহি
স্মৃতিৰ দস্তাবেজ খোলে।
হৃদয়ৰ গহন গহ্বৰত
যেতিয়া স্মৃতিৰ শিকলি সৰি পৰে,
আৱেগে তাতেই সুগন্ধি বতাহ হৈ
অতীতক সজীৱ কৰি তোলে।
অনুভৱৰ অক্ষৰবোৰে
মনৰ মাজত জীৱন্ত ৰূপ লয়।
অতীতৰ পৃষ্ঠাবোৰত
নিঃশব্দে শব্দৰ স্পন্দন জাগে।
আৱেগ কেতিয়াবা দহনশিখা
অন্তৰৰ আকাশত জ্বলি উঠা দীপ্ত নক্ষত্ৰ,
যিয়ে মানুহক অন্ধকাৰৰ মাজতো
সাহসৰ দিশ দেখুৱায়।

# চিঠিৰ ভাষা আৰু সাহিত্যৰ সৌন্দৰ্য



**জীৱনজ্যোতি গগৈ, গোলাঘাট**

মানৱ সভ্যতাৰ ইতিহাসত চিঠি বা পত্ৰ এক বিশেষ স্থান দখল কৰি আহিছে। মানুহে যেতিয়া নিজৰ অনুভৱ, চিন্তা, বেদনা, সুখ বা আশা-আকাংক্ষা কাগজত শব্দৰ ৰূপত প্ৰকাশ কৰে, তেতিয়াই চিঠি কেৱল এটা যোগাযোগ মাধ্যম হৈ নাথাকে; ই হৈ উঠে এক জীৱন্ত সাহিত্য। চিঠিৰ ভাষাত থাকে এক স্বাভাৱিকতা, এক আন্তৰিকতা, আৰু এক হৃদয়স্পৰ্শী শক্তি, যিয়ে পাঠকৰ মনত গভীৰ প্ৰভাৱ পেলায়। সেইকাৰণে চিঠিৰ ভাষা আৰু তাৰ সাহিত্যিক সৌন্দৰ্য সদায়ে বিশেষ গুৰুত্ব বহন কৰি আহিছে।

চিঠিৰ ভাষাৰ মূল বৈশিষ্ট্য হৈছে ইয়াৰ সহজতা আৰু আন্তৰিকতা। আন সাহিত্যিক ৰূপসমূহত বহু সময়ত অলংকাৰ, জটিল বাক্য গঠন বা কৃত্ৰিমতা দেখা যায়, কিন্তু চিঠিৰ ভাষা সাধাৰণতে স্বাভাৱিক আৰু হৃদয়ৰ পৰা ওলোৱা। এগৰাকী মাকে নিজৰ সন্তানলৈ লিখা চিঠি, এজন বন্ধুৱে আন এজন বন্ধুলৈ লিখা চিঠিত ভাষাৰ এই স্বাভাৱিকতা স্পষ্টভাৱে প্ৰতিফলিত হয়। এই সহজ ভাষাই চিঠিক অধিক আকৰ্ষণীয় আৰু জীৱন্ত কৰি তোলে।

চিঠিৰ আন এটা গুৰুত্বপূৰ্ণ দিশ হৈছে ইয়াৰ ব্যক্তিগততা। চিঠি সদায়ে এজন ব্যক্তিৰ পৰা আন এজন ব্যক্তিলৈ উদ্দেশ্য কৰি লিখা হয়, সেয়ে ইয়াত এক বিশেষ ব্যক্তিগত স্পৰ্শ থাকে। এই ব্যক্তিগত অনুভৱৰ বাবেই চিঠিৰ ভাষা অধিক গভীৰ আৰু প্ৰভাৱশালী হয়। পাঠকে চিঠিখন পঢ়োঁতে যেন লেখকৰ মনৰ ভিতৰত প্ৰৱেশ কৰিব পাৰে, তেওঁৰ অনুভৱসমূহ অনুভৱ কৰিব পাৰে।

চিঠিৰ সাহিত্যিক সৌন্দৰ্যৰ কথা ক'বলৈ গ'লে, ইয়াত থকা অনুভৱৰ গভীৰতা, শব্দৰ মাধুৰ্য, আৰু ভাৱ প্ৰকাশৰ কৌশল বিশেষভাৱে উল্লেখযোগ্য। বহুতো মহান সাহিত্যিকেও চিঠিৰ জৰিয়তে অসাধাৰণ সাহিত্য সৃষ্টি কৰিছে। তেওঁলোকৰ চিঠিত কেৱল ব্যক্তিগত কথাই নহয়, সমাজ, সংস্কৃতি, ৰাজনীতি আৰু জীৱনৰ গভীৰ দৰ্শনো প্ৰতিফলিত হৈছে। এইবোৰ চিঠি পাছত সাহিত্যৰ এক গুৰুত্বপূৰ্ণ অংশ হিচাপে গণ্য হৈছে।

চিঠিৰ ভাষাত এক বিশেষ ধৰণৰ কাব্যিকতা থাকে। যদিও ই *(বাৰপৃষ্ঠাত চাওক)*

# পুনৰ্জন্মৰ পাথেয়



**যোৰাখণ্ডৰ পৰা.. ময়ূৰী বৰগোহাঞি,শিৱসাগৰ**

কাৰ্ল ইউং, যি মনোবিজ্ঞানী হ'লেও তেওঁৰ চিন্তা গভীৰভাৱে দাৰ্শনিক। তেওঁ কৈছিল যে মানুহৰ মানসিকতাত এক "ছায়া" থাকে, যি ছায়া আমি স্বীকাৰ কৰিবলৈ অনিচ্ছুক। এই ছায়াক নিজৰ দুৰ্বলতা, নিজৰ ভয়, নিজৰ পৰাভৱক মুখামুখি হ'বলৈ সাহস কৰাটোৱেই হ'ল আত্মদৰ্শনৰ প্ৰথম পদক্ষেপ। যি আত্মাই এই জনমত নিজৰ ছায়াক চিনিবলৈ সাহস কৰিলে, পৰৱৰ্তী জনমত সেই আত্মা অধিক সংহত, অধিক সমন্বিত হৈ আৱিৰ্ভূত হ'ব।

ধ্যান, একান্তবাস, চিন্তাশীলতা - এইবোৰ হ'ল আত্মদৰ্শনৰ পথ। বৰ্তমানৰ তীব্ৰ গতিশীল পৃথিৱীত এই পথবোৰ অপ্ৰাসঙ্গিক হ'ব পাৰে। কিন্তু ঠিক এই কাৰণতেই এইবোৰ অধিক প্ৰয়োজনীয়। বিনোদনৰ অনন্ত প্ৰবাহ, সামাজিক মাধ্যমৰ কোলাহল, তথ্যৰ অভূতপূৰ্ব উপস্থিতি এই সকলোবোৰৰ মাজত নিজৰ গভীৰতম স্তৰক স্পৰ্শ কৰাটো ক্ৰমাৎ কঠিন হৈ পৰিছে। কিন্তু যি মানুহে এই কঠিন যাত্ৰাটো কৰিবলৈ সংকল্পবদ্ধ হয়, তেওঁৰ আত্মাই এক বিশেষ গভীৰতা লাভ কৰে।

আত্মদৰ্শনৰ এক বিশেষ দিশ হ'ল নিজৰ সীমাবদ্ধতাক স্বীকাৰ কৰা। আমি সকলোতকৈ কঠিন কামটো হয়তো এয়াই যে নিজৰ অজ্ঞানতা, নিজৰ ভুল, নিজৰ অপূৰ্ণতাক বিনম্ৰভাৱে গ্ৰহণ কৰা। কিন্তু এই স্বীকৃতিতেই লুকাই আছে বিকাশৰ বীজ। চক্ৰেটিছে কৈছিল যে "মই কেৱল এটাই জানো যে মই একো নাজানো।" - এই উক্তিটো বিনম্ৰতাৰ চূড়ান্ত প্ৰকাশ, আৰু এই বিনম্ৰতাই হ'ল জ্ঞানৰ দুৱাৰ মুকলি কৰাৰ প্ৰথম চৰ্ত।

এতিয়া এই পাথেয়টোৰ কথা যাৰ চৰ্চা কম, কিন্তু ই অতি গুৰুত্বপূৰ্ণ। সৌন্দৰ্য - প্ৰকৃতিৰ সৌন্দৰ্য, শিল্পৰ সৌন্দৰ্য, মানৱ সম্পৰ্কৰ সৌন্দৰ্য, গণিতৰ কোনো সমাধানৰ নিগূঢ় সৌন্দৰ্য - এই সৌন্দৰ্যবোধ মানৱ আত্মাৰ এক বিশেষ বৈশিষ্ট্য। প্ৰাণীজগতৰ অন্য কোনো প্ৰাণীয়ে সূৰ্যাস্তৰ সন্মুখত বিস্ময়াভিভূত নহয়, বেটোভেনৰ চিম্ফনি শুনি কম্পিত নহয়, কালিদাসৰ শ্লোকত অনুভৱ নকৰে জীৱনৰ ক্ষণস্থায়িত্বৰ বিষাদমধুৰ অনুভূতি।

দস্তয়েভস্কিৰ সেই বিখ্যাত উক্তি "Beauty will save the world" - ই কি অৰ্থত কোৱা হৈছিল? কেৱল বাহ্যিক সৌন্দৰ্যৰ কথা নিশ্চয় নহয়। ই হ'ল সেই সৌন্দৰ্যৰ কথা যি নৈতিক ক্ষয়ৰ মাজতো মানৱ আত্মাক উদ্ধাৰ কৰে, যি অমানবিকতাৰ সন্মুখত মানৱতাৰ পতাকা উৰুৱাই ৰাখে।

গতিকে এই জনমত সৌন্দৰ্যৰ প্ৰতি সংবেদনশীলতা গঢ়ি তোলাটো কবিতা পঢ়া, সংগীত শুনা, শিল্পকৰ্ম নিৰীক্ষণ কৰা, প্ৰকৃতিৰ মাজত নিজকে হেৰুৱাই দিয়া - এইবোৰ কেৱল আনন্দৰ কাৰ্য নহয়, এইবোৰ হ'ল আত্মাৰ পৰিশোধনৰ সাধনা। যি আত্মাই এই জনমত সৌন্দৰ্যক চিনিলে, অনুভৱ কৰিলে, পৰৱৰ্তী জনমত সেই আত্মা অধিক সূক্ষ্ম, অধিক পৰিমাৰ্জিত চেতনা লৈ আহিব।

ক্ষমা - ই হয়তো এই তালিকাৰ সকলোতকৈ কঠিন পাথেয়। অন্যায়ৰ সন্মুখত ক্ষমাশীল হোৱাটো দুৰ্বলতা নহয়, ই হ'ল সৰ্বোচ্চ আধ্যাত্মিক শক্তিৰ প্ৰকাশ। মহাত্মা গান্ধী কৈছিল "দুৰ্বলে ক্ষমা কৰিব নোৱাৰে, ক্ষমা শক্তিশালীৰ গুণ"।

ক্ষমা নকৰিলে কি হয়? ক্ৰোধ, বিদ্বেষ, প্ৰতিশোধৰ আকাংক্ষা - এইবোৰ আত্মাৰ ওপৰত এক ভাৰ হিচাপে থাকি যায়। যি ভাৰ কেৱল মানসিক নহয়, কৰ্মদাৰ্শনিক দৃষ্টিভঙ্গিত ই হ'ল এক নেতিবাচক সংস্কাৰ যি আত্মাৰ পৰৱৰ্তী যাত্ৰাকো প্ৰভাৱিত কৰে। গতিকে এই জনমত যিসকলে কষ্ট দিলে তেওঁলোকক ক্ষমা কৰা। শুধু তেওঁলোকৰ বাবে নহয়, নিজৰ আত্মাৰ মুক্তিৰ বাবেও।

কিন্তু ক্ষমা মানে অন্যায়ক স্বীকৃতি দিয়া নহয়। ক্ষমা মানে হ'ল সেই অন্যায়ৰ বিষ নিজৰ হৃদয়ত বহন কৰি আত্মাক বিষাক্ত নকৰা। যি নদীয়ে অতীতৰ ঢৌ ধৰি ৰাখিব বিচাৰে, সি বৈ যাব নোৱাৰে। ক্ষমা হ'ল সেই নদীৰ গতি যি অতীতৰ বোজা মুকলি কৰি পৰৱৰ্তী যাত্ৰাৰ দিশে এক নতুন প্ৰবাহ।

ভাৰতীয় আধ্যাত্মিকতাৰ সকলো ধাৰাতেই অহম্ অৰ্থাৎ "মই" ভাবটো, যাক বন্ধনৰ মূল বুলি গণ্য কৰা হয়। শংকৰাচাৰ্যৰ অদ্বৈত বেদান্তত হওক, বুদ্ধৰ অনাত্মা তত্ত্বত হওক, সূফী পৰম্পৰাৰ "ফনা"ত হওক - সকলোতে একেটাই বাৰ্তা যে এই পৃথক সত্তাৰ ভাবটো এক মায়া, এক বিভ্ৰম।

কিন্তু এই বিভ্ৰমটোক অতিক্ৰম কৰাটো এটি জনমৰ কামটো নহয়। শংকৰে নিজেই কৈছিল - বহু জনমৰ সাধনাৰ পিছতহে এই উপলব্ধি সম্ভৱ। তেনেহ'লে এই জনমত কি কৰিব পাৰি? এই জনমত আমি "অহম্"ক সম্পূৰ্ণ বিসৰ্জন দিব পাৰিলেও অহম্ৰ প্ৰভাৱক ক্ৰমাৎ হ্ৰাস কৰিব পাৰোঁ। "মই" কৈ যিমান কম ভবা যায়, "আমি" কৈ যিমান বেছি ভবা যায় - এই দিশটোতে প্ৰতিদিন অলপ অলপকৈ আগবাঢ়িলে আত্মা ক্ৰমাৎ সেই বৃহত্তৰ সত্তাৰ সৈতে যুক্ত হ'বলৈ সক্ষম হৈ উঠে।

সমৰ্পণ - ই নিজৰ ইচ্ছাক অস্বীকাৰ কৰা নহয়, বৰং নিজৰ ক্ষুদ্ৰ ইচ্ছাক বৃহত্তৰ সত্তাৰ মাজত বিলীন কৰি দিয়া। ই হ'ল পাৰ্থিৱ জীৱনৰ সৰ্বোচ্চ আধ্যাত্মিক উপলব্ধি। ৰবীন্দ্ৰনাথে কৈছিল - "আমাৰ মাথা নত কৰে দাও হে তোমাৰ চৰণ-ধূলাৰ তলে"। এই নত কোনো দাসত্ব নহয়, ই হ'ল সমৰ্পণৰ মুক্তি।

এই সাতটি পাথেয়ৰ মাজেৰে যদি এটাই কথা উপলব্ধি হয়, সেয়া হ'ল যে পুনৰ্জন্মৰ প্ৰস্তুতি মানে মৃত্যুৰ প্ৰস্তুতি নহয়। পুনৰ্জন্মৰ প্ৰস্তুতি মানে জীৱনক অধিক সম্পূৰ্ণভাৱে জীয়াই যোৱাৰ প্ৰস্তুতি। কাৰণ যি মানুহে জ্ঞান আহৰণ কৰি, প্ৰেম কৰি, সৎ কৰ্ম কৰি, নিজক চিনি, সৌন্দৰ্য অনুভৱ কৰি, ক্ষমা কৰি আৰু অহম বিসৰ্জন দি এই জনমটো অতিবাহিত কৰে, সেই মানুহে কেৱল পৰৱৰ্তী জনমৰ বাবে নহয়, এই জনমটো নিজেই সাৰ্থক কৰি তোলে।

তদুপৰি পুনৰ্জন্ম নাথাকেও যদি এই এটি মাত্ৰ জনমেই সত্য তেতিয়াও এই পাথেয়সমূহ মূল্যহীন নহয়। কাৰণ এই পথেৰে চলা মানুহ কেৱল নিজৰ বাবে নহয়, তেওঁৰ চাৰিওফালৰ জগতখনৰ বাবেও আলোকস্বৰূপ হৈ পৰে। তেওঁৰ উপস্থিতিয়ে জগতখনক অলপ উজ্জ্বল কৰে, অলপ সুন্দৰ কৰে, অলপ মানৱিক কৰে।

জন্ম আৰু মৃত্যুৰ মাজত মানুহে যি জীৱন অতিবাহিত কৰে, সেই জীৱনেই হ'ল তাৰ প্ৰকৃত পাথেয়। আত্মাৰ যাত্ৰা অব্যাহত থাকে এই জনমত, পৰৱৰ্তী জনমত, অনন্তকাল ধৰি। কিন্তু প্ৰতিটো জনমত আত্মাৰ সৈতে লৈ যায় তাৰ কৃতকৰ্ম, তাৰ অভিজ্ঞতা, তাৰ সংস্কাৰ। গতিকে এই জনমটো যদি সুন্দৰভাৱে, অৰ্থপূৰ্ণভাৱে, নৈতিকভাৱে যাপন কৰিব পাৰোঁ, তেন্তে পৰৱৰ্তী যি কিছু আহে, সি অৱশ্যমেৱ শুভ হ'ব। এই বিশ্বাসেই হ'ল পুনৰ্জন্মৰ দৰ্শনৰ সৰ্বোচ্চ উপহাৰ "আশা"। এক অনন্ত, অক্ষয়, মৃত্যুজয়ী আশা।

# ব্যৰ্থতাৰ পৰা জীৱনৰ শিক্ষা




**যোৰাখণ্ডৰ পৰা.. ডলী ফুকন, লখিমপুৰ**

ব্যৰ্থতাৰ আন এটা গুৰুত্বপূৰ্ণ শিক্ষা হৈছে পৰিশ্ৰমৰ মূল্য। জীৱনত বহু কাম প্ৰথমে সহজে সফল নহয়। কিন্তু যদি মানুহে ব্যৰ্থতাৰ পাছতো ধৈৰ্য্য ধৰি পুনৰ চেষ্টা কৰে, তেন্তে একসময়ত সফলতা লাভ কৰিবই পাৰে। এই অভিজ্ঞতাই মানুহক শিকায় যে সফলতাৰ মূল চাবিকাঠি হৈছে ধৈৰ্য্য, পৰিশ্ৰম আৰু দৃঢ় সংকল্প।

ইয়াৰ উপৰিও ব্যৰ্থতাই মানুহক মানসিকভাৱে শক্তিশালী কৰি তোলে। জীৱনৰ পথত বিভিন্ন ধৰণৰ বাধা আৰু সমস্যাৰ সন্মুখীন হ'ব লগা হয়। যিজনে আগতে ব্যৰ্থতাৰ সন্মুখীন হৈছে, তেওঁ এইবোৰ সমস্যাক অধিক সাহসেৰে মুখামুখি হব পাৰে। কাৰণ তেওঁ জানে যে সমস্যাবোৰ সাময়িক আৰু চেষ্টা অব্যাহত ৰাখিলে অৱশেষত সমাধান পোৱা যায়।

সমাজতো দেখা যায় যে বহু সফল ব্যক্তিয়ে জীৱনৰ কোনো পৰ্যায়ত ব্যৰ্থতাৰ অভিজ্ঞতা লাভ কৰিছিল। কিন্তু তেওঁলোকে সেই ব্যৰ্থতাৰ পৰা শিক্ষা লৈ নিজৰ লক্ষ্যৰ দিশে আগবাঢ়িছিল। এই উদাহৰণবোৰে আমাক অনুপ্ৰাণিত কৰে আৰু শিকায় যে ব্যৰ্থতা কেতিয়াও শেষ নহয়, বৰঞ্চ সফলতাৰ দিশে আগবঢ়াৰ এটা স্তৰ।

ব্যৰ্থতা জীৱনৰ এক অবিচ্ছেদ্য অংশ। ই মানুহক নতুন অভিজ্ঞতা দিয়ে, ভুল শুধৰাবলৈ সুযোগ দিয়ে আৰু আগলৈ আগবাঢ়িবলৈ সাহস যোগায়। সেয়ে জীৱনত ব্যৰ্থতা আহিলেও হতাশ হ'ব নালাগে বৰঞ্চ তাৰ পৰা শিক্ষা লোৱা উচিত। যিজনে ব্যৰ্থতাক শিক্ষাৰূপে গ্ৰহণ কৰিব পাৰে, তেওঁ জীৱনত নিশ্চয় সফলতাৰ পথ বিচাৰি পায়।

# সূৰ্য-চন্দ্ৰ থকালৈকে অগপ-বিজেপিৰ

অভিযোগ কৰি কয় যে কংগ্ৰেছে অসমৰ বিকাশৰ বাবে কেতিয়াও একো নকৰিলে। তেওঁ ৰাহুল গান্ধীক তাচ্ছিল্য কৰি কয় যে তেওঁ আজি অসম ভ্ৰমণলৈ আহি ডাঙৰ ডাঙৰ ভাষণ আগবঢ়াইছে। তেওঁক মই প্ৰশ্ন কৰিছো তেওঁলোকৰ পোন্ধৰ বছৰীয়া শাসন কালত অসমৰ বাবে কি কৰা হৈছিল। কেন্দ্ৰত মনমোহন সিঙৰ চৰকাৰ আৰু অসমত কংগ্ৰেছ চৰকাৰ আছিল। অসমৰ বিকাশৰ বাবে সেই পোন্ধৰ বছৰত কি কৰা হ'ল বুলি প্ৰশ্ন কৰি কয় যে তেওঁলোকে কেবল অসমক দিছিল ১ লাখ ২৮ হাজাৰ কোটি টকা। আমাৰ নেতা নৰেন্দ্ৰ মোদীয়ে কেবল দহ বছৰতে ৯ লাখ ৭৮ হাজাৰ কোটি টকা আগবঢ়াইছে বুলি উল্লেখ কৰি কয় যে ৰাজ্যবাসীয়ে তৃতীয়বাৰৰ বাবে উন্নয়নৰ বাবে এন ডি এক সমৰ্থন আগবঢ়াব লাগে বুলি উল্লেখ কৰে। প্ৰণিধানযোগ্য যেবৃহস্পতিবাৰে কলিয়াবৰত নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে। কলিয়াবৰৰ মিছা হাইস্কুল খেলপথাৰত অনুষ্ঠিত নিৰ্বাচনী সভাত এন ডি এ তথা অগপৰ প্ৰাৰ্থী কেশৱ মহন্তৰ হৈ নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে। কলিয়াবৰত আয়োজন কৰা বিশাল নিৰ্বাচনী সভাত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ, মাধৱদেৱক স্মৰণ কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰীশ্বাহে ভাষণত ঘোষণা কৰে যে সূৰ্য-চন্দ্ৰ থকালৈকে অগপ-বিজেপিৰ বন্ধুত্ব সদায় থাকিব। উন্নয়নৰ প্ৰসংগ উত্থাপন কৰি গৃহমন্ত্ৰী শ্বাহে কয় যে নৰেন্দ্ৰ মোদীৰ চৰকাৰৰ দিনত দেশৰ অভূতপূৰ্ব উন্নয়ন হৈছে। অসমো পিছ পৰি থকা নাই। অসমত সকলো ঔৰতে উন্নয়ন হৈছে। এই উন্নয়নৰ ধাৰা বৰ্তাই ৰাখিবলৈ তৃতীয়বাৰৰ বাবে এন ডি এৰ চৰকাৰ প্ৰতিষ্ঠাৰ হেতুকে কলিয়াবৰত হাতীৰ ছবিত ভোট দিব লাগিব। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ প্ৰসংগ উত্থাপন কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে লগতে কয় যে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানক অবৈধ বেদখলকাৰীৰ পৰা মুক্ত কৰা হ'ল। বিশ্বপ্ৰসিদ্ধ এশিঙীয়া গঁড় এতিয়া সুৰক্ষিত। কংগ্ৰেছৰ দিনত বিশ্ব প্ৰসিদ্ধ এশিঙীয়া গঁড় নিধনযজ্ঞ চলিছিল, কাজিৰঙাৰ ভূমি বেদখলকাৰীৰ হাতত অৰ্পণ কৰিছিল। ৰাহুল গান্ধীক 'বাবা ৰাহুল' বুলি সম্বোধন কৰি কংগ্ৰেছক সমালোচনা কৰি গৃহমন্ত্ৰী শ্বাহে কয় যে ২০০৪-১৪লৈ অসমত কংগ্ৰেছৰ চৰকাৰ আছিল। প্ৰধানমন্ত্ৰী মনমোহন সিং অসমৰ প্ৰতিনিধি হৈ অসমলৈ মাত্ৰ ১২ হাজাৰ কোটি অনুদান দিছিল। বিপৰীতে মোদী চৰকাৰে ৯৭ হাজাৰ কোটি অসমৰ উন্নয়নৰ বাবে দিছে। নৰেন্দ্ৰ মোদীৰ চৰকাৰৰ দিনত ৯ খন চিকিৎসা মহাবিদ্যালয়, কেইবাখনো ইঞ্জিনিয়াৰিং মহাবিদ্যালয় স্থাপন কৰিলে। ব্ৰহ্মপুত্ৰৰ ওপৰত কেইবাখনো দলং নিৰ্মাণ আৰু কেইবাখনো নিৰ্মাণৰত অৱস্থাত আছে। অমিত শ্বাহে লগতে কয় যে লাচিত বৰফুকনৰ প্ৰতিমূৰ্তি বিজেপিয়ে স্থাপন কৰিলে, ড° ভূপেন হাজৰিকা, গোপীনাথ বৰদলৈক বিজেপিয়ে ভাৰতৰত্ন প্ৰদান কৰিলে। বিজেপিৰ দিনতে অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ স্বীকৃতি পালে। কংগ্ৰেছে সদায় হিন্দু-মুছলমানৰ মাজত এক বিভেদৰ সৃষ্টি কৰি আহিছে। বিজেপিয়ে অসমৰ খিলঞ্জীয়া মুছলমানৰ বিৰোধিতা কেতিয়াও নকৰে। আনহাতে, নিৰ্বাচনী প্ৰচাৰ সভাখনত তেওঁ লগতে কয় যে কেশৱ মহন্তৰ দৰে এজন নম্ৰ, শান্ত আৰু ৰাইজৰ বাবে কাম কৰা মন্ত্ৰী আমাক প্ৰয়োজন। বিগত কাৰ্যকালত কলিয়াবৰত বহু উন্নয়নমূলক কাম কৰিলে। সেয়ে আগন্তুক সময়ত বিজেপি-অগপ তথা মিত্ৰজোটৰ চৰকাৰ গঠন হ'ব।

# ৩ বছৰত আমেৰিকাৰ দৰে

ড্ৰাইভৰ দৰে ব্ৰহ্মপুত্ৰৰ পাৰ নিৰ্মাণ কৰাৰ পৰিকল্পনা আছে। অসমত ৰূপায়ণ কৰিব লগীয়া প্ৰকল্পৰ এখন দীঘলীয়া তালিকা মোৰ ওচৰত আছে। মুখ্যমন্ত্ৰীয়ে ব্ৰহ্মপুত্ৰৰ তলিৰে টানেল নিৰ্মাণৰ কথা কৈছিল, মই পাঁচ মিনিটত অনুমোদন দিলোঁ। কাজিৰঙা এলিভেটেড কৰিডৰ আৰু ৰিং ৰোডৰ কামৰো অনুমোদন দিছোঁ। অহাবাৰ আহিলে কামাখ্যালৈ যোৱা ৰোপৱে' নিৰ্মাণৰ কামো আৰম্ভ কৰিম।' কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ মতে, 'মোৰ এটাই সমস্যা, সেয়া হৈছে পইচা আছে কিন্তু খৰচ কৰিব পৰা নাই। ১৫ লাখ কোটি এতিয়াও মোৰ হাতত আছে। আমাৰ দেশত টকাৰ অভাৱ নাই। কিন্তু বিকাশ কৰা মানুহৰ অভাৱ।' আজি অসম প্ৰগতি আৰু বিকাশৰ পথেৰে দৌৰিছে বুলি উল্লেখ কৰি তেওঁ লগতে কয় যে অসমত আঢ়ৈ লাখ কোটি টকাৰ প্ৰকল্পৰ বিভিন্ন কাম চলি আছে। আগতে আহোঁতে চৌপাশে আধৰুৱা কাম দেখিছিলোঁ। আজি আহি দেখিছোঁ চৌপাশে বিকাশৰ কাম দ্ৰুত গতিত চলি আছে। ইফালে মাজুলী- যোৰহাট সংযোগী নিৰ্মীয়মাণ দলংখনৰ কাম অহা বৰ্ষত সমাপ্ত হ'ব বুলি জনাই গডকাৰিয়ে দলংখনৰ নিৰ্মাণৰ আঁৰৰ কথাও ব্যক্ত কৰে। তেওঁ কয়, 'এবাৰ নিৰ্বাচনৰ সময়ত সৰ্বানন্দ সোণোৱালৰ সৈতে মাজুলীলৈ হেলিকপ্টাৰ লৈ গৈছিলোঁ। বাটতে তেওঁ মোৰ হাতখন ধৰি ক'বলৈ ধৰিলে আপুনি দলংখন নিৰ্মাণৰ কথা ঘোষণা কৰক। মই বোলো কি কথা কোৱা? এইখন নদীতো সমুদ্ৰৰ দৰে। দলং কেনেকৈ হ'ব? তেওঁ বোলে নীতিনজী, আপুনি মোক দললৈ আনিছে। আপুনি যদি দলং ঘোষণা নকৰে তেনেহ'লে নিৰ্বাচনত মোৰ পৰাজয় নিশ্চিত। ইয়াৰ বাবে দায়ী আপুনি হ'ব।' কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ মতে, 'সেইদিনা তেওঁ মোক ইম'শ্যনেলী ব্লেকমেইল কৰিছিল আৰু ময়ো দলং ঘোষণা কৰি দিলোঁ। পাছত বহুত সমস্যাই দেখা দিলে। এতিয়া আকৌ দলংখনৰ কাম আৰম্ভ হৈছে। এবছৰৰ ভিতৰত দলঙৰ কাম সম্পূৰ্ণ হ'ব।' মন্ত্ৰীগৰাকীয়ে অসমত চলি থকা বিভিন্ন প্ৰকল্পৰো উদাহৰণ দাঙি ধৰে । তেওঁ কয়, "বিলাসীপাৰাৰ পৰা গুৱাহাটীলৈ চাৰিলেনযুক্ত পথ ৮.৫ হাজাৰ কোটি টকাৰ নিৰ্মাণ হৈ আছে । একেদৰে শিলচৰ চুৰাইবাৰী চাৰিলেনযুক্ত পথ ৭ হাজাৰ কোটি, গুৱাহাটীত ৭ হাজাৰ কোটি টকাৰ ৰিং ৰোড, ১৯ হাজাৰ কোটিৰে নুমলীগড়-গহপুৰ টানেল, ৭৫০০ কোটি টকাৰে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ এলিভেটেড কৰিড'ৰ।" গুৱাহাটী-শিলচৰ সংযোগী এক্সপ্ৰেছৱেৰ কথাও উল্লেখ কৰে মন্ত্ৰীগৰাকীয়ে । তেওঁ কয়, "গুৱাহাটীৰ পৰা শিলচৰলৈ চপ্ত হাজাৰ কোটি টকাৰে পথ নিৰ্মাণৰ কামো আৰম্ভ হৈছে । আপোনালোকে কেতিয়া সপোনতো ভাবিছিল নে অসমত চপ্ত হাজাৰ কোটি টকাৰে পথ নিৰ্মাণৰ কাম হ'ব ।" অহা ৩ বছৰত অসমৰ ৰাজপথ আমেৰিকাৰ দৰে হ'ব বুলিও গাডকাৰীয়ে দাবী কৰে । ইফালে কংগ্ৰেছক সমালোচনা নকৰোঁ বুলি মত ব্যক্ত কৰিও তেওঁ কয়, 'কংগ্ৰেছে দেশত একো কাম নকৰিলে। চৰকাৰৰ কাম ব্যৱসায় কৰা নহয়। আমাৰ কাম দেশত কাম কৰা। দেশত ইলেকট্ৰিক ট্ৰাক, বাছ অনাৰ মোৰ সৌভাগ্য হ'ল। হাইড্ৰ'জেন আমাৰ ভৱিষ্যৎ, মই দেশত হাইড্ৰ'জেন বাছ, ট্ৰাক আনিছোঁ। দেশৰ সকলো বাহন ইথানেলৰ দ্বাৰা চলিব।' ভাষণত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ব্ৰহ্মপুত্ৰ খননৰ কথাও ব্যক্ত কৰে। তেওঁ কয়, 'মোৰ দিনত ব্ৰহ্মপুত্ৰত ড্ৰেজিং আৰম্ভ কৰিছিলোঁ। আঢ়ৈ হাজাৰ কিল'মিটাৰ পথ নিৰ্মাণ হৈছে অসমত। বিলাসীপাৰা-গুৱাহাটী পথৰ কাম ২০২৭ৰ অক্টোবৰত সম্পন্ন হ'ব। আগন্তুক ৩ বছৰত আমেৰিকাৰ দৰে ৰাষ্ট্ৰীয় পথ হ'ব অসমত।' ইফালে অনুপ্ৰৱেশ প্ৰসংগত তেওঁ কয়- অনুপ্ৰৱেশ বন্ধ কৰিব নোৱাৰিলে হিন্দুস্তান ধৰ্মশালা হৈ পৰিব। সেয়ে এই বিষয়টোত বিজেপিয়ে কঠোৰ স্থিতি গ্ৰহণ কৰিছে। বিদেশী সমস্যা সমাধানৰ বাবে তেওঁ বিজেপিক ভোট দিবলৈকো আহ্বান জনায়।

# কলিয়াবৰত তিনি শতাধিকৰ অগপত যোগদান




ৰঙিলী বাৰ্তাসেৱা- কলিয়াবৰ সমষ্টিৰ উত্তৰ ভোমোৰাগুৰি, টুবুকীজাৰণী, উত্তৰ ভেলগুৰি, মহবৰ আলী, দেৱালত, ভুৱবন্ধা, শাকপালা, হাৰিভাংগা, নিজ লাওখোৱা আৰু ধনেখোৱাত ব্যাপক নিৰ্বাচনী প্ৰচাৰ চলায় মন্ত্ৰী কেশৱ মহন্তই। মন্ত্ৰীগৰাকীয়ে প্ৰতিখন নিৰ্বাচনী সভাত ভাষণত কয় যে ৰাইজৰ এই স্নেহ, মৰম আৰু আস্থাই মোক সদায় অনুপ্ৰাণিত কৰি আহিছে। উন্নত, সুসংগঠিত আৰু বিকশিত সমষ্টি হিচাপে সৰ্বশ্ৰেষ্ঠ কলিয়াবৰ গঢ়ি তোলাৰ লক্ষ্যৰে পুনৰ জনতা জনাদনৰ আশীৰ্বাদ আৰু সমৰ্থন কামনা কৰে মন্ত্ৰীগৰাকীয়ে। মন্ত্ৰী কেশৱ মহন্তৰ মাৰাথন প্ৰচাৰত কংগ্ৰেছ দলৰ পৰা তিনি শতাধিক নেতা-কৰ্মীয়ে কংগ্ৰেছ ত্যাগ কৰি অগপত যোগদান কৰে। অগপত যোগদান কৰাসকলক মন্ত্ৰী কেশৱ মহন্তই অগপ দলৰ টুপী আৰু গামোচাৰে আদৰি লয়।

# গুৱালকুছি বুদৰাম মাধৱ

ইয়াৰ পিছত ২ এপ্ৰিল তাৰিখে অনুষ্ঠিত মুকলি সভাত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ- ড° নিহাৰঞ্জন কলিতা। মুখ্য অতিথি -ড° ৰাজীৱ সন্দিকৈ, শৈক্ষিক পঞ্জীয়ক, গুৱাহাটী বিশ্ববিদ্যালয়। নিৰ্দিষ্ট বক্তাৰ আসন শুৱনি কৰে ক্ৰমে ডাঃ হিতেশ বৰুৱা স্বত্বাধিকাৰী, নেমকেয়াৰ হস্পিটালৰ বিশিষ্ট চিকিৎসক, শ্ৰীযুত গুঞ্জন ডেকা, সভাপতি, স্নাতকোত্তৰ ছাত্ৰ একতা সভা, গুৱাহাটী বিশ্ববিদ্যালয় আৰু সেই মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ড° যোগেশ ডেকা মহোদয়ে ভাষণ প্ৰসংগত ছাত্ৰ-ছাত্ৰীৰ উদ্দেশ্যে যুৱ মহোৎসৱৰ প্ৰাসংগিকতা সম্পৰ্কে মূল্যৱান বক্তব্য আগবঢ়ায়।

# ডিব্ৰুগড়ত বিধান সভা

হয়। সাধাৰণ পৰ্যবেক্ষকদ্বয়ে ভোটগ্ৰহণ প্ৰক্ৰিয়াত সতৰ্কতা অৱলম্বন, নিৰপেক্ষতা আৰু যিকোনো অনিয়মৰ ক্ষেত্ৰত সময়মতে প্ৰতিবেদন দাখিল কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। সভাত জিলা উন্নয়ন আয়ুক্ত নন্দিতা বৰুৱা, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া দিপু কুমাৰ ডেকা, মাইক্ৰ' অবজাৰ্ভাৰসকলৰ লগতে অন্যান্য সংশ্লিষ্ট বিষয়াসকল উপস্থিত থাকে।

# ফটোযুক্ত ভোটাৰ পৰিচয়

পাছপ'ৰ্ট, পেন্সনৰ নথি (ফটোসহ), চৰকাৰ/পিএছইউ/পাব্লিক লিমিটেড কোম্পানীৰ দ্বাৰা প্ৰদত্ত সেৱা পৰিচয়-পত্ৰ, সংসদ/বিধানসভা/বিধান পৰিষদৰ সদস্যসকলৰ বাবে প্ৰদত্ত চৰকাৰী পৰিচয়-পত্ৰ আৰু ইউনিক ডিজেবিলিটী আইডি (ইউডিআইডি) কাৰ্ড। আনহাতে ভোটাৰজনৰ পৰিচয় সাব্যস্ত কৰিব পাৰিলে, ফটোযুক্ত ভোটাৰ পৰিচয়-পত্ৰত থকা বানান ভুল আদি উপেক্ষা কৰিবলৈও নিৰ্বাচন আয়োগে নিৰ্দেশ দিছে। অন্য সমষ্টিৰ নিৰ্বাচক পঞ্জীয়ন বিষয়াৰ দ্বাৰা আগতে প্ৰদান কৰা ফটোযুক্ত ভোটাৰ পৰিচয়-পত্ৰ দাখিল কৰিও ভোটদান কৰিব পৰা যাব যদিহে ভোটাৰজনৰ নাম ভোট দিবলৈ যোৱা ভোটগ্ৰহণ কেন্দ্ৰত ইতিমধ্যে অন্তৰ্ভুক্ত কৰা হৈছে। ভোটাৰ পৰিচয়-পত্ৰত থকা ফটোৰ বিসংগতিৰ বাবে যদিহে ভোটাৰজনৰ পৰিচয় সাব্যস্ত কৰিব পৰা নাযায় তেন্তে তেওঁ ওপৰত উল্লেখ কৰা যিকোনো এবিধ নথি দেখুৱাব লাগিব। আনহাতে বিদেশত থকা আৰু ১৯৫০ চনৰ জনপ্ৰতিনিধিত্ব আইনৰ ধাৰা ২০ (ক) অনুসৰি ভোটাৰ তালিকাত নামভৰ্তি কৰা ভোটাৰসকলক ভোটগ্ৰহণ কেন্দ্ৰত কেবল তেওঁলোকৰ মূল পাছপ'ৰ্টৰ ভিত্তিতহে পৰিচয় নিশ্চিত কৰা হ'ব বুলিও জনাইছে আয়োগে। অৱশ্যে এইক্ষেত্ৰত আন কোনো পৰিচয়-পত্ৰ গ্ৰহণযোগ্য নহ'ব।

# আফগানিস্তানত ৫.৯ প্ৰাবল্যৰ ভূঁইকঁপ



ৰঙিলী বাৰ্ত্তাসেৱা- পুনৰ ভূঁইকঁপৰ জোকাৰি গ'ল আফগানিস্তানক। শুকুৰবাৰে নিশা ৯.৫০ বজাত আফগানিস্তানৰ হিন্দুকুশ অঞ্চলত এই কম্পন অভিভূত হয়। ৰিষ্টাৰ স্কেলত কম্পনৰ মাত্ৰা ৫.৯ আছিল। আফগানিস্তান ভূঁইকঁপটোৰ অভিকেন্দ্ৰ হ'লেও ইয়াৰ কম্পন অনুভূত হয় উত্তৰ ভাৰতৰ বিভিন্ন অঞ্চলতো। জানিব পৰা মতে ভূঁইকপটোৰ অভিকেন্দ্ৰ আছিল আফগানিস্তানৰ বাদাখচান প্ৰদেশ। প্ৰদেশখন হিন্দুকুশ অঞ্চলৰ পাকিস্তান-তাজাকিস্তান সীমান্তত অৱস্থিত। ভূঁইকঁপটোৰ কম্পন দিল্লী, চণ্ডীগড়, লুধিয়ানা, শ্ৰীনগৰ, পুঞ্চ, ডেৰাডুন আদি চহৰত অনুভূত হয়।

# ১৮৯ খনলৈ বৃদ্ধি হ'ব

সমষ্টি পুনৰ নিৰ্ধাৰণ অধিসূচনা জাৰি হ'ব। এই সমষ্টি পুনৰ নিৰ্ধাৰণেৰে লোকসভাৰ বৰ্তমানৰ আসনৰ সংখ্যাৰ লগত যোগ হ'ব ২৭৩খন আসন। ইয়াৰ ফলত দেশত লোকসভাৰ আসন ৫৪৩ৰ পৰা ৮১৬খনলৈ বৃদ্ধি হ'ব। উল্লেখ্য যে সমষ্টি পুনৰ নিৰ্ধাৰণ তথা বিধানসভা-লোকসভা সমষ্টি বৃদ্ধিৰ বাবে প্ৰয়োজন হ'ব সংবিধান সংশোধনৰ। এই উদ্দেশ্যে ১৬ এপ্ৰিলত লোকসভাত উত্থাপন হ'ব সংবিধান সংশোধনী বিধেয়ক। এই বিধেয়কৰ জৰিয়তে লোকসভা আৰু বিধানসভাত এক তৃতীয়াংশ আসন মহিলাৰ বাবে সংৰক্ষিত কৰা হ'ব। ইয়াৰ ফলত বিধানসভা আৰু লোকসভাত ৩৩ শতাংশ আসন মহিলাৰ বাবে সংৰক্ষিত হ'ব। ফলত, লোকসভাত মহিলা প্ৰতিনিধিৰ সংখ্যা ২৬৯লৈ বৃদ্ধি হ'ব। এই প্ৰসংগতে নাজিৰাত মুখ্যমন্ত্ৰীয়ে নিৰ্বাচনী সভাত কয়- এইবাৰ অসমত বিধানসভাৰ আসনৰ সংখ্যা ৬৩টালৈ বৃদ্ধি হোৱাৰ সম্ভাৱনা আছে। শেহতীয়াকৈ সমষ্টি পুনৰ নিৰ্ধাৰণত বিলুপ্ত হোৱা আমগুৰি সমষ্টি পুনৰ বাহাল ৰাখিবলৈ চেষ্টা কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে দিয়া ইংগিতৰ পাছতে কাৰ্যতঃ ৰাজ্যত বিধানসভা সমষ্টিৰ বৃদ্ধিৰ প্ৰসংগই যথেষ্ট চৰ্চাৰ সৃষ্টি কৰিছে। সমষ্টি পুনৰ নিৰ্ধাৰণ, মহিলাৰ বাবে সমষ্টি সংৰক্ষণ আইন কাৰ্যকৰী কৰি ২০২৯ত দেশত অনুষ্ঠিত হ'ব সাধাৰণ নিৰ্বাচন।

# পুনৰ অসুস্থ গৰিমা

আৰু শৰীৰ যথেষ্ট দুৰ্বল হৈ পৰিছে। তেওঁ বৰ্তমান তীব্ৰ মানসিক চাপত আছে আৰু তেওঁক পৰ্যাপ্ত জিৰণিৰ প্ৰয়োজন। আশা কৰা হৈছে যে আগন্তুক ২-৩ দিনৰ ভিতৰত তেওঁ সুস্থ হৈ উঠিব । যোৱা ছয় মাহ ধৰি তেওঁ অসুস্থ হৈ আছে। এমাহমান আগতেও তেওঁ এবাৰ অসুস্থ হৈ পৰিছিল । তেওঁক জিৰণি প্ৰয়োজন আছে । তেওঁ মানসিক চাপত আছে । শিল্পীপত্নী গৰিমা শইকীয়া গাৰ্গে বিগত প্ৰায় ছমাহ ধৰি যথেষ্ট অসুস্থ হৈ পৰিছে। পূৰ্বেও বহুবাৰ তেওঁ চিকিৎসাধীন হৈছিল।

# লখিমপুৰত চলন্ত ৰে'লত

কণমানিজনীৰ শৰীৰ তলত পৰি যোৱাৰ বিপৰীতে মূৰটো বহা আসনতে পৰি ৰয়। এই ঘটনাত ৰে'লখনত হুৱাদুৱা পৰিৱেশ সৃষ্টি হয়। তেনে সময়তে ৰে'লখন চিলনীবাৰী ষ্টেচনত প্ৰৱেশ কৰে। লগে লগে ৰে'লৰপৰা নামি দৌৰিপলাই যায় ঘাতক সুনীল মুৰ্মু। একাংশ লোকে ঘাতকজনক খেদি খেদি কৰায়ত্ত কৰি আৰক্ষীক গতাই দিয়ে। নিজ কন্যাক হত্যা কৰি পলায়নৰ চেষ্টা কৰা পাষাণ পিতৃ সুনীলক কৰায়ত্ত কৰাৰ সময়ত তাৰ প্ৰতি আক্ৰমণত একাধিক লোক আহত হয়। পিছে খেদি খেদি ঘাতকটোক কৰায়ত্ত কৰিবলৈ স্থানীয় ব্যক্তি সক্ষম হয়। উল্লেখ্য প্ৰত্যক্ষদৰ্শীৰ ভাষ্য অনুসৰি গহপুৰত ৰে'লখনত উঠাৰেপৰা ব্যক্তিজনে অস্বাভাৱিক আচৰণ কৰিছিল। নাওবৈচাৰ চিলনীবাৰী ৰে'ল ষ্টেচন পোৱাৰ কিছুদূৰ আগতে নিজৰ লগত অনা দাৰে কন্যাক শিৰচ্ছেদ কৰি ৰে'লৰপৰা জঁপিয়াই পলায়নৰ চেষ্টা কৰিছিল কন্যা হন্তা সুনীলে। শেষত স্থানীয় ব্যক্তিৰ সহযোগিতাত ব্যক্তিজনক আটক কৰি লখিমপুৰ আৰক্ষীক গতাই দিয়ে। বৰ্তমান অপৰাধীজনক লখিমপুৰ আৰক্ষীয়ে আটক কৰি তদন্ত অব্যাহত ৰাখিছে। কিয় নিজৰ কন্যাক এনেদৰে হত্যা কৰিলে এইপৰ্যন্ত তাৰ কাৰণ জানিব পৰা হোৱা নাই।

# অসম ফুটবলৰ যাদুকৰ গিলবাৰ্টছন

বাবে শয্যাগত হৈ আছিল। ১৯৫৫ চনৰ ১২ এপ্ৰিলত ডিব্ৰুগড়ত জন্মগ্ৰহণ কৰা গিলবাৰ্টছন চাংমাই দশম শ্ৰেণীতে শিক্ষাজীৱন সামৰিছিল। শিক্ষাজীৱন সামৰাৰ পিছতে ১৯৭১ চনত অসম আৰক্ষীত কনিষ্টবল হিচাপে যোগদান কৰিছিল। অসম আৰক্ষীৰ ফুটবল দলত যোগদান কৰি ১৯৭২ চনৰ পৰা ১৯৮২ চনলৈ অসম ফুটবল দলটোক প্ৰতিনিধিত্ব কৰিছিল। আৰক্ষী ৰিজাৰ্ভত নিয়মিতভাৱে অনুশীলন কৰি নীতিগতভাৱে ৰাজ্যৰ ফুটবল জগতত ভৰি দিয়া চাংমাই ১৯৭৩ চনত কেৰালাৰ কোচিত অনুষ্ঠিত ফুটবল টুৰ্নামেণ্টত ৰাজ্যিক দলক প্ৰতিনিধিত্ব কৰাৰ সুযোগ লাভ কৰিছিল। ১৯৭৩ চনৰ পৰা ১৯৮২ চনলৈ মুঠ সাতবাৰ ছিনিয়ৰ ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতা সন্তোষ ট্ৰফীত অসমক প্ৰতিনিধিত্ব কৰিছিল। ৰাষ্ট্ৰীয় পৰ্যায়ত দেখুওৱা চমকপ্ৰদ প্ৰদৰ্শনৰ বাবেই চাংমাই পৰৱৰ্তী সময়ত ভাৰতীয় দলৰ হৈ ইণ্ডোনেছিয়া আৰু থাইলেণ্ডত আন্তঃৰাষ্ট্ৰীয় মেচত অংশ লৈছিল। ফুটবলৰ মাজেৰেই অসম আৰক্ষীক উচ্চ স্থানলৈ নিয়া 'গিলবাৰ্টছন চাংমা' এসময়ত জনাজাত হৈ পৰিছিল 'মেন অৱ গ'ল্ডেন বুট' নামেৰে। অসম আৰক্ষীৰ হৈ চাংমাই বৰদলৈ ট্ৰফী, এটিপিএ শিল্ড, কেপ্টেইন এনএম গুপ্তা ট্ৰফী লাভ কৰিছিল। ১৯৮১ চনত তেওঁ সন্তোষ ট্ৰফীত চেম্পিয়ন হয়। ১৯৮৫ চনত তেওঁ যোৰহাটত নাগালেণ্ড আৰক্ষীৰ বিৰুদ্ধে জীৱনৰ অন্তিমখন খেলত অংশ লৈছিল। অসম আৰক্ষীৰ পৰাও দ্বিতীয় অধিনায়ক হিচাপে তেওঁ অৱসৰ গ্ৰহণ কৰিছিল। ২০২২ চনত তেওঁক অসম চৰকাৰে অসমৰ দ্বিতীয় সৰ্বোচ্চ অসামৰিক সম্মান অসম সৌৰভ' বঁটাৰে সন্মানিত কৰিছিল। '৭০ৰ পৰা '৯০ দশক পৰ্যন্ত অসমৰ ফুটবলপ্ৰেমীক মোহাচ্ছন্ন কৰি ৰখা গিলবাৰ্টছন চাংমাৰ বাবেই ৰাষ্ট্ৰীয় স্তৰত অসমৰ ফুটবলে এক বিশেষ সন্মান লাভ কৰিবলৈ সক্ষম হৈছে। মৃত্যুৰ সময়ত প্ৰবীণ ক্ৰীড়াবিদগৰাকীয়ে পত্নী আৰু দুই কন্যাসহ অনেক আত্মীয়-স্বজনক ইহসংসাৰত এৰি গৈছে। আজি মালিগাঁৱৰ আদিংগিৰি পাহাৰত খ্ৰীষ্টানধৰ্মীয় ৰীতি-নীতিৰে ক্ৰীঞ্জাবিদগৰাকীৰ শেষকৃত্য সম্পন্ন কৰা হ'ব। আনহাতে গিলবাৰ্টছন চাংমাৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। এক শোকবাৰ্তাযোগে মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে যোৱা শতিকাৰ '৮০-'৯০ দশকত অসম ফুটবলৰ এক চাঞ্চল্য হিচাপে আত্মপ্ৰকাশ কৰা গিলবাৰ্টছন চাংমা ডাঙৰীয়াৰ বিয়োগৰ খবৰত অতি মৰ্মাহত হ'লোঁ। দুভৰিৰ যাদুৰে ফুটপ্ৰেমীক মোহাচ্ছন্ন কৰা কিংবদন্তি খেলুৱৈগৰাকীৰ বাবেই অসম ফুটবল এসময়ত সমগ্ৰ দেশত চৰ্চিত হৈছিল। অসম ফুটবলৰ ৰাজকুমাৰ হিচাপে অভিহিত 'অসম সৌৰভ' গিলবাৰ্টছন চাংমা ডাঙৰীয়াৰ বিয়োগ অসমৰ ক্ৰীড়া তথা সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি। তেখেতৰ বিশাল অৱদানক অসমবাসীয়ে সদায়ে শ্ৰদ্ধাৰে স্মৰণ কৰিব। মহান তাৰকাগৰাকীৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিলোঁ।

# পাঁচ বছৰত অনুপ্ৰৱেশকাৰীক খেদি

পৰিষদখনত ক্ষমতা দখল কৰিবলৈ বিচাৰিছিল। দশক দশক ধৰি অসমসহ সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলক অশান্ত কৰি ৰখা আৰু তুষ্টিকৰণৰ ৰাজনীতিৰ বাবে অনুপ্ৰৱেশত কংগ্ৰেছে পৃষ্ঠপোষকতা আগবঢ়াইছিল। অনুপ্ৰৱেশকাৰীসকলে বেদখল কৰিছিল অসমৰ বৃহৎ পৰিমাণৰ ভূমি। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত বিজেপি চৰকাৰে যোৱা ৫ বছৰত প্ৰায় ডেৰ লাখ বিঘা ভূমি বেদখলমুক্ত কৰিছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান আৰু বিশ্ববিখ্যাত এশিঙীয়া গঁড়ৰ বিচৰণভূমি কাজিৰঙাতো বেদখল হৈছিল। এই বেদখল উচ্ছেদৰ কামো আমাৰ বিজেপি চৰকাৰেই কৰিছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অসমত অভূতপূৰ্ব বিকাশ হোৱাৰ কথাও তেওঁ উল্লেখ কৰে। এই বিকাশৰ যাত্ৰাক আৰু অধিক গতি দিবলৈ বিজেপিক পুনৰ নিৰ্বাচিত কৰাৰ তেওঁ আহ্বান জনায় অনুপ্ৰৱেশকাৰীৰ প্ৰতি কংগ্ৰেছৰ নৰম দৃষ্টিভংগীক শ্বাহে আক্ৰমণৰ লক্ষ্য কৰি কয় যে পূৰ্বৰ চৰকাৰৰ অধীনত ৰাজ্যখন তেওঁলোকৰ হাতত গতাই দিয়া হৈছিল । কংগ্ৰেছ চৰকাৰে এইখন অসমেই অনুপ্ৰৱেশকাৰীৰ হাতত গতাই দিলে। এই অনুপ্ৰৱেশকাৰীয়ে অসমৰ দুখীয়া মানুহৰ মাটি দখল কৰি আছে । কাজিৰঙাৰ বনাঞ্চলত বেদখল কৰিছে। আমাৰ যুৱক-যুৱতীসকলৰ পৰা কৰ্মসংস্থাপনৰ সুযোগ কাঢ়ি লৈছে । বিগত দহ বছৰত বিজেপিয়ে অসমৰ গুৰুত্বপূৰ্ণ অঞ্চলসমূহত অনুপ্ৰৱেশকাৰীৰ হাতৰ পৰা পৰা ১ লাখ ৫০ হাজাৰ একৰ ভূমি বেদখলমুক্ত কৰিছে। এইবেলি নিৰ্বাচনৰ জৰিয়তে আকৌ এবাৰ বিজেপি চৰকাৰ নিৰ্বাচন কৰক আৰু বিজেপি চৰকাৰে সমগ্ৰ অসমক অনুপ্ৰৱেশকাৰীৰ পৰা মুক্ত কৰাৰ কাম হাতত ল'ব। হিমন্ত বিশ্ব শৰ্মাক আকৌ এবাৰ মুখ্যমন্ত্ৰী পাতক আৰু আমি প্ৰতিজন অনুপ্ৰৱেশকাৰীক পুলিয়ে-পোখাই উঘালিম বুলি মন্ত্ৰী শ্বাহে হুংকাৰ প্ৰদান কৰে । গোৱালপাৰাক মিনি অসম আখ্যা দি কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্বাহে কয় যে ইয়াত ৰাভা, বড়ো, হাজং, কোচ আৰু চাহ বাগানৰ শ্ৰমিকে বাস কৰে। কংগ্ৰেছে অসমত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়ায়। কিন্তু কেতিয়াও জনজাতিৰ কল্যাণৰ কথা নকয়। স্বাধীনতাৰ ৭৮ বছৰ সম্পূৰ্ণ হৈ গ'ল। পিছে কংগ্ৰেছে কেতিয়াও আদিবাসী মহিলাক ৰাষ্ট্ৰপতিৰ আসনত অধিষ্ঠিত নকৰিলে। পিছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দ্ৰৌপদী মুৰ্মুক ৰাষ্ট্ৰপতি পাতিছে। কংগ্ৰেছৰ কাৰ্যকালত স্বাধীনতাৰ পৰা ২০১৩ চন পৰ্যন্ত আদিবাসী সমাজৰ বিকাশৰ বাবে বাজেটত মাত্ৰ ২৪ হাজাৰ কোটি টকা দিছিল। ইয়াৰ বিপৰীতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী চৰকাৰে এই পৰিমাণ ১.৪১ লাখ কোটিলৈ বৃদ্ধি কৰিছে। লগতে আদিবাসী সমাজ আৰু জনজাতীয় কলা-সংস্কৃতি, খাদ্য, বেশ-ভূষা, সংগীত আৰু নৃত্যক বিশ্বত পৰিচয় কৰাই দিয়াৰ কামো কৰিছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। দুধনৈ নৈক গাখীৰৰ নদী বুলি জনা যায় বুলি মন্তব্য কৰি অসমত পুনৰ বিজেপি চৰকাৰ হ'লে প্ৰত্যেকখন জিলাতে একোটাকৈ ডায়েৰী আৰু সকলো আদিবাসী পৰিয়ালক এটিকৈ গাই গৰু-ম'হ দিয়া হ'ব বুলি তেওঁ প্ৰতিশ্ৰুতি দিয়ে। কংগ্ৰেছৰ বিৰুদ্ধে পুনৰবাৰ আক্ৰমণাত্মক হৈ পৰি কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্বাহে কয় যে আৰম্ভণিৰে পৰা অসমৰ প্ৰতি গান্ধী-নেহৰু পৰিয়ালৰ মনোভাব ইতিবাচক নহয়। ১৯৬২ চনত চীনৰ আক্ৰমণৰ সময়ত তেওঁলোকে অসমক এৰি দিছিল। কিন্তু আজি আমাৰ চৰকাৰে অসমৰ এক ইঞ্চি ভূমিও কোনেও কব্জা কৰিব নোৱাৰাটো সুনিশ্চিত কৰিছে। কংগ্ৰেছে সমগ্ৰ অসমকে অশান্ত কৰি ৰাখিছিল। অসমৰ যুৱকৰ মৃত্যুক লৈ ৰাজনীতি কৰিছিল কংগ্ৰেছে। ২০১৯ৰ পৰা ২০২৪ চনৰ ভিতৰত বিজেপিয়ে অসমত কেইবাখনো বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰে। ইয়াৰ ভিতৰত আছে বড়ো, কাৰ্বি আংলং, হোজাই, আদিবাসী আৰু আলফা চুক্তি। ইতিমধ্যে ১০ হাজাৰ যুৱকে অস্ত্ৰ ত্যাগ কৰি মূলসুঁতিলৈ উভতি আহিছে। ২০১৬ চনৰ পিছত অসমলৈ পৰিৱৰ্তন আহিছে আৰু ২০১৯ চনৰ পিছত ধাৰাবাহিক বুজাবুজিৰ জৰিয়তে স্থাপন হৈছে শান্তি। এতিয়া ক'তো বোমা বিস্ফোৰণ অথবা গুলীচালনাৰ ঘটনা সংঘটিত নহয়। '৯০ৰ দশকৰ আৰম্ভণিতে মই অসমলৈ আহিছিলোঁ। তেতিয়া বিদ্যাৰ্থী পৰিষদৰ নেতৃত্বত অসম বচাও আন্দোলন চলি আছিল। মই গোৱালপাৰালৈও আহিছিলোঁ। য'ত আৰক্ষীয়ে লাঠীচালনা কৰিছিল। তেতিয়াও কংগ্ৰেছে অসমক অশান্ত কৰি ৰাখিছিল। বিশেষকৈ ড° মনমোহন সিং চৰকাৰৰ কাৰ্যকালত ১০ বছৰ অশান্ত হৈ আছিল অসম।

## ENGLISH NEWS SECTION

# Lok Bhavan, Assam celebrates Odisha Day




Guwahati, RB News: Lok Bhavan, Assam under the guidance of Governor Shri Lakshman Prasad Acharya celebrated the State foundation Day of Odisha in a befitting manner at a function held at Sri Sri Madhavadeva International Auditorium. Terming the Day as a symbol of linguistic identity and unity, he emphasized the deep-rooted cultural, spiritual and historical ties between Assam and Odisha. He said that such occasion further strengthens the spirit of "Ek Bharat Shrestha Bharat" and promote national integration. On this occasion, the Governor recalled the invaluable contribution of eminent personalities of Odisha such as Madhusudhan Das, Jayee Rajguru, Gopibandhu Das, Harekrishna Mehtab and Maharaja Krishna Chandra Gajapati etc. whose visionary leadership and selfless service played a defining role in shaping Odisha and paid tributes to their enduring legacy. While highlighting the deep rooted historical, cultural and spiritual ties between the two States, the Governor referred to the intrinsic similarity between Jagannath culture and Vaishnavite tradition noting that both embody core ideals of devotion, inclusivity, compassion and universal brotherhood. The Governor stated that a striking similarity can be observed in the rich tribal heritage, agrarian lifestyle and artistic expression of the people, reflecting a shared cultural ethos and deep-rooted traditions that bind the region together. He observed that Assam's Bihu and Odisha's Nuakhai reflects a similar reverence for nature and age-old tradition, symbolizing the agrarian spirit and cultural ethos of the people. He further noted that while Assam's Sattriya dance is imbued with energy and vibrancy similarly Odisha's Odissi dance captivates audiences with its gracefulness and elegance.

## PBKS beat CSK by 5 wicket



RB News: Punjab Kings defeated Chennai Super Kings by five wickets in an Indian Premier League match with skipper Shreyas Iyer scoring a fine half-century in Chennai on Friday. Young CSK batter Ayush Mhatre top-scored with a 43-ball 73 as Chennai Super Kings posted 209 for five. PBKS reached 210 for 5 in 18.4 overs to notch their second consecutive win of the season. Iyer scored a 29-ball 50. Earlier, sent into bat first, CSK rode on a 96-run partnership for the second wicket between Mhatre and Ruturaj Gaikwad to lay the foundation for a competitive total at Chepauk. Sarfaraz Khan played some fine shots en route to 32 off just 12 balls, while Shivam Dube made an unbeaten 45 in 27 balls.

## Shreyas Iyer fined 24 lakh for slow over-rate against CSK



RB News: Punjab Kings (PBKS) captain Shreyas Iyer has been fined 24 lakh after his team maintained slow over-rate during their IPL 2026 match against Chennai Super Kings (CSK) on Friday. Rest of PBKS' playing XI has been fined lesser of 6 lakh or 25% of their match fee. Iyer had earlier been fined 12 lakh for the same offence against GT.

## India's Minerva Academy thrash Liverpool 6-0 in Spain



RB News: India's Minerva Academy thrashed Liverpool 6-0 in Bascara, Spain on Friday to enter Mediterranean International Cup (MIC) 2026 quarter-finals in Under-15 category. Minerva Academy forward Raj Singh scored a hat-trick, Mohammad Azam Khan scored two goals, while Lisham Amarson Singh scored one goal. Notably, MIC Cup is regarded as "mini World Cup" for age groups ranging from U-12 to U-19.

## RR register their 2nd win in IPL 2026




RB News:Rajasthan Royals defeated Gujarat Titans by six runs at Narendra Modi Stadium in Ahmedabad to register their second straight win in IPL 2026. RR put up a total of 210/6 and restricted GT to 204/8 in 20 overs. GT have now lost two straight matches in IPL 2026. RR's Dhruv Jurel top-scored in the match with 75(42).

## DC defeated MI by six wickets



RB News: DC defeated MI by six wickets on Saturday to take top position in IPL 2026 points table. DC's Impact Player Sameer Rizvi smashed 51-ball 90, including seven sixes and seven fours, helping the team chase down 163-run target in 18.1 overs. MI's Rohit Sharma scored 35 off 26 and skipper Suryakumar Yadav hit 51 off 36 against DC.

## Abhishek Sharma fined 25% of his match fee for breaching IPL code of conduct



RB News: SunRisers Hyderabad (SRH) opener Abhishek Sharma has been fined 25% of his match fee for using obscene language in their IPL 2026 match against Kolkata Knight Riders (KKR) in Kolkata on Thursday. Abhishek has also accumulated one demerit point for breaching the IPL Code of Conduct.

# নাৰী মই



অলকা বুজৰ বৰুৱা

নাৰী মই, মই মমতাৰ পৰিভাষা
সাগৰৰ অনিৰুদ্ধ গভীৰতা ময়েই
ত্যাগ আৰু সাহসৰ অদৃশ্য ফল্গুধাৰাও মই ।
সুখ-দুখৰ বাৰ্তাবাহক, বৈ ফুৰোঁ অনন্ত মমতা,
মোৰ নামেৰে উদযাপিত হয় দিৱস
কোনে কয়, মই পাতৰ তলৰ লাও ?
মই জয়মতী, ঋষি পত্নী মই অৰুন্ধতী
মই গাৰ্গী, মৈত্ৰেয়ী, লোপামুদ্ৰাৰ প্ৰতিনিধি
মইয়ে মূলাগাভৰু, তৰোৱাল তুলি
বজ্ৰনিনাদেৰে শতৰুৰ হৃদয় কঁপাও
যুগে যুগে ন ন ৰূপেৰে মই নিজকে সজাওঁ
মইয়ে আই কনকলতা ধৰ্মৰ ধ্বজা উৰোৱা
সত্ৰ-সংস্কৃতিৰ মইয়ে মহীয়সী নাৰী
আই ভুৱনেশ্বৰী
ময়েই বসুন্ধৰা, হিমালয় নন্দিনী হৈমৱতী
মই নহয় দুৰ্বল তুমি ভৱাৰ দৰে,
মোৰ গৰ্ভতেই অংকুৰিত হয় নৱজীৱনৰ বীজ
তেন্তে কিয়নো লাগে মোৰ নামেৰে এটা বিশেষ দিন ?
ময়েই প্ৰতিনিধিত্ব কৰোঁ আকাশ, সাগৰ কিম্বা পৃথিৱীক
প্ৰয়োজন কিয় তেন্তে বিশেষ নাৰী দিৱসৰ
মই অগ্ৰণী নাৰী আধুনিক যুগৰ।।

# চিঠিৰ ভাষা আৰু

গদ্য ৰূপত লিখা হয়, তথাপিও ইয়াত শব্দৰ সজোৱা, অনুভৱৰ প্ৰকাশ আৰু ভাবৰ গাম্ভীৰ্যই এক কাব্যিক সুৰ সৃষ্টি কৰে। বিশেষকৈ প্ৰেমৰ চিঠি বা বিদায়ৰ চিঠিত এই কাব্যিক সৌন্দৰ্য অধিক স্পষ্ট হয়। এটা সাধাৰণ বাক্যও চিঠিৰ পৰিপ্ৰেক্ষিতত গভীৰ অৰ্থ বহন কৰিব পাৰে।

আনহাতে, চিঠি হৈছে সময়ৰ এখন দাপোন। এটা সময়ত লিখা চিঠিত সেই সময়ৰ সমাজ, সংস্কৃতি, আৰু মানুহৰ চিন্তাধাৰাৰ প্ৰতিফলন দেখা যায়। সেইদৰে, চিঠি কেৱল ব্যক্তিগত অনুভৱৰ বাহক নহয়, ই এক ঐতিহাসিক দলিলো। অতীতৰ বহুতো গুৰুত্বপূৰ্ণ ঘটনা, চিন্তা আৰু অনুভৱ চিঠিৰ জৰিয়তেই সংৰক্ষিত হৈ আছে।

ডিজিটেল যুগত আহি চিঠিৰ প্ৰচলন কিছু কমি গৈছে। ই-মেইল, মেছেজ, আৰু সামাজিক মাধ্যমৰ সহজলভ্যতাই হাতলিখা চিঠিৰ স্থান ল'বলৈ আৰম্ভ কৰিছে। তথাপিও, হাতলিখা চিঠিৰ যি অনুভৱ, যি আন্তৰিকতা, সেয়া ডিজিটেল মাধ্যমত সদায়ে পোৱা নাযায়। এখন হাতেলিখা চিঠিত লেখকৰ হাতৰ লিখনী, শব্দৰ বাছনি, আৰু কাগজৰ স্পৰ্শই এক বিশেষ আবেগ সৃষ্টি কৰে, যি ডিজিটেল লেখাত অনুপস্থিত।

চিঠিৰ ভাষাৰ সৌন্দৰ্যৰ আন এটা গুৰুত্বপূৰ্ণ দিশ হৈছে ইয়াৰ সততা। চিঠিত সাধাৰণতে মানুহে নিজৰ সঁচা অনুভৱ প্ৰকাশ কৰে। ইয়াত অভিনয় বা কৃত্ৰিমতা কম থাকে। এই সততাই চিঠিক অধিক মূল্যবান কৰি তোলে আৰু পাঠকৰ সৈতে এক গভীৰ সংযোগ স্থাপন কৰে। চিঠিৰ ভাষা আৰু সাহিত্যৰ সৌন্দৰ্য এক অবিচ্ছেদ্য সম্পৰ্কত আবদ্ধ। চিঠি কেৱল যোগাযোগৰ মাধ্যম নহয়; ই এক শিল্প, এক অনুভৱৰ জগত, আৰু এক সাহিত্যিক ধন। ডিজিটেল যুগতেও এই সৌন্দৰ্য অটুট ৰাখিবলৈ আৰু নতুন প্ৰজন্মক চিঠি লিখাৰ প্ৰতি উৎসাহিত কৰিবলৈ প্ৰয়োজন আছে।

**আগলৈ...**

# সুখৰ পঁজা

দুলুমণি দেৰী,মাকুম



মানুহে যেতিয়া ব্যস্ততাৰে আৰৱা দিন অতিবাহিত কৰিব লগা হয় তেতিয়া দুখ, সুখৰ কথা প্ৰায় পাহৰিয়ে থকাদৰে হয় ।কৰ্মকহে একমাত্ৰ প্ৰাধান্য দিয়া হয় । কৰ্মদ্যোমী ব্যক্তি হিচাপে পৰিচিত নন্দেশ্বৰ বৰুৱাই দৈনন্দিন কাম কাজ সামৰি আনদিনাৰ দৰে সেইদিনাও ভাতমুঠি খাই বিচনাত বাগৰ দিলে। তাৰ উৰুখা পঁজাটো ৰাতি শুৱা সময়খিনিত সোণৰ পঁজাৰ দৰে হৈ পৰে ।

বাৰিষা বতৰত ৰাতি বিয়লি চিন্তা হয় যদিও কামৰ ভাগৰত নন্দেশ্বৰ প্ৰায় গভীৰ টোপনিত থাকে। কিন্তু সেইদিনা শুই থাকোতে সি অনুমান কৰিলে তাৰ উৰুখা পঁজাটো লাহে লাহে সোণৰ পঁজালৈ ৰূপান্তৰিত হৈছে।তাৰ হাতত কোনোবাই যেন ফুল চন্দন গুজি দিছে, মুখত যেন তপ তপকৈ অমৃতৰ ৰস নিগৰি পৰিছে। গোটেই কোঠাটো পোহৰ হৈ গৈছে আৰু চাৰিওফালে মণি মুকুতাৰ শাৰী। সি মণি মুকুতাখিনি তাৰ পত্নী কমলাক দিবলৈ বুলি ইকাটি সিকাটি কৰোঁতেই তাৰ গাত কোনোবাই হাত দিয়া দৰে লাগিল... সেয়া অন্য কোনো নহয়, তাৰ পত্নী কমলাহে
তাই বাৰে বাৰে কৈছে ....

উঠকচোন.. বতৰটো চকচোন, ইমান গাজনি বিজুলি, গোটেইখন পানী পৰি কি অৱস্থা হৈছে, আপুনি টোপনিত কি ভোৰভোৱাই আছে, সোনকালে উঠক ।

পত্নীৰ কথাকেইটাত সি ঘপহকৈ সাৰ পাই বিচনাৰ পৰা ভৰিকেইটা মাটিত দি দেখে গোটেইখন গছৰ পাত, পানী আৰু ঘৰৰ মুধচটোৰে আকাশদেখি ঢতাৰমানে সি ভাবিবলৈ বাধ্য হ'ল সপোনত দেখা মণি মুকুতাবোৰ আচলতে শিল বতাহ বৰষুণৰ প্ৰচণ্ড শব্দহে আছিল। মুখত অমৃত পৰিছিল মানে বৰষুণৰ পানী পৰি তাৰ তুলি লেপ গোটেইবোৰ ভিজি গৈছিল, আৰু সোণৰ পঁজা দৰে লাগিছিল..য় মানে চাগে বিজুলিৰ চমকনিত গোটেইখন পোহৰ হৈ পৰিছিল আৰু চাৰিওফালে অপূৰ্ব হৈ পৰিছিল মানে... ভৰি দি গম পালে ভিতৰতো নলা নদৰ্মাৰ পানী সোমাই একাকাৰ হৈ পৰিল।

সপোনৰ অৰ্থ বিশ্লেষণ কৰি নন্দেশ্বৰ পুনৰ বিচনাতে বহি পৰিল ।সন্মুখত কমলাক দেখি সি প্ৰশ্ন কৰিলে আমাৰ পঁজাটো আচলতে কিহৰ? উৰুখা পঁজা নে সুখৰ ?

কমলাই একেষাৰে কলে সুখৰ পঁজা ।

কিন্তু কিয় ভাবিব পাৰিলা তেনেকৈ ? সি পুনৰ সুধিলে

কাৰণ ইমান গাজনি শিল বৰষুণ দিয়াৰ পাছতো যে আপুনি বিন্দাচ শুব পাৰে, খাব পাৰে, যাব পাৰে সেইবাবে ক'লো ।

শেষত সি উপলব্ধি কৰিলে সুখ বিচাৰিব জানিলে সকলোতে থাকে। তাৰ উৰুখা পঁজাটো বতাহ বৰষুণ পৰি লেতেৰা হোৱাৰ পাছতো কষ্ট কৰি চাফ চিকুণ কৰি তাতে সি সুখ বিচাৰি ল'বলৈ চেষ্টা কৰিব লাগিব।

# এপ্ৰিল ফুল

বাইদেৱে সেইদিনা বৰ লাজ পাইছিল। আকৌ কোনোৱা এজনে মাতি ছে বুলি কৈ এপ্ৰিল ফুল কৰে।

যিজনে মাতিছে বুলি কয় সেই জনে একো গমেই নাপায়। কিয় মাতিলে বুলি সুধিলে, আচৰিত হে হয়। প্ৰকৃত কথা জানিব পাৰি পাছত আনন্দ কৰে। যিসকলে এই দিনটোৰ কথা মনত ৰাখে তেওঁলোকে সেইদিনা সাৱধানে থাকে। আনে দিয়া চিঠি, টোপোলা গ্ৰহণ নকৰে। কোনোবাই মাতিছে বুলি ক'লেও নাযায়। তেতিয়া 'এপ্ৰিল ফুল' কৰা জন হে লাজত পৰে। কোনো কোনো ছাত্ৰই বিদ্যালয়ৰ ছাৰ বাইদেউ সকলকো 'এপ্ৰিল ফুল' কৰে। উপস্থিতি দিবলৈ কলম বিচাৰিলে নিপ নোহোৱা কলম উলিয়াই দিয়ে। শিক্ষকে এপ্ৰিল ফুল বুলি জানি হাঁহি মাৰি বেলেগ কলম লৈছিল। এপ্ৰিল ফুল সাধাৰণতে আগবেলা অৰ্থাৎ ৰাতিপুৱাতেই কৰে। কেৱল সৰু ল'ৰা ছোৱালীয়ে হে এপ্ৰিল ফুল কৰে এনে নহয়। মহিলা মহাকাশ বিজ্ঞানী সুনীতা উইলিয়ামছৰ নাম সকলোৱে শুনিছা নিশ্চয়। কেইবাবাৰো মহাকাশলৈ গৈ বেছি সময় মহাকাশত খোজ কাঢ়ি অভিলেখ সৃষ্টি কৰা সুনীতা উইলিয়ামছে মহাকাশত অণুজীৱৰ পৰীক্ষা-নিৰীক্ষা কৰিছিল। এবাৰ এপ্ৰিলৰ এক তাৰিখে তেনে এক গৱেষণাত ব্যস্ত হৈ আছিল সুনীতা। মহাকাশচাৰী সকলৰ দেহত বাহিৰাগত কোনো বীজাণুৱে আহি আক্ৰমণ কৰিছে নেকি, সেই বিষয়টো মহাকাশ গৱেষণা কেন্দ্ৰ নাচাৰ বিজ্ঞানী সকলৰ মাজত আলোচনা চলি আছিল। এটা সময়ত সুনীতাই ক্ষুদ্ৰ পৰীক্ষাগাৰটোৰ পৰা ওলাই চিঞৰিছিল -'বন্ধুসকল বৰ দুখৰ কথা, আমাৰ দেহত আৰু মহাকাশখনতো ভীষণ ভাৱে বীজাণুৱে আক্ৰমণ কৰিছে। সম্ভৱ কোনো কাৰিকৰী কৌশল প্ৰয়োগ কৰিও তাৰ পৰা মুক্ত হ'ব পৰা নাযাব।' লগে লগেই সুনীতাৰ বন্ধু সকলৰ চকুৰে মুখে বিফল হৈউভতি যোৱাৰ হতাশা আৰু কৰুণ দৃষ্টি ফুটি উঠিছিল। পিছ মুহূৰ্ত্ততে সুনীতাই চিঞৰি উঠিল - 'এয়া এপ্ৰিল ফুল। ক্ষমা কৰিব বন্ধুসকল'- বুলি হাঁহিবলৈ ধৰিছিল।

ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক ড° উদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ ড° উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- Dr. UDDIPTA NAYAN MEDHI Ph.98542-15286

# সপোন দেখা আৰু সপোন পূৰণৰ চেষ্টা



যোৰাখণ্ডৰ পৰা.. কানুপ্ৰিয়া ডেকা,বৰপেটা,হাউলী

সপোন পূৰণৰ পথত বহু বাধা থাকে। দৰিদ্ৰতা, পৰিস্থিতিৰ অসুবিধা, সমাজৰ সীমাবদ্ধতা আদি কেতিয়াবা মানুহৰ পথত বাধা সৃষ্টি কৰে। কিন্তু যি মানুহে দৃঢ় মনোবল আৰু সাহস ৰাখে, তেওঁ এই সকলো বাধা অতিক্ৰম কৰিব পাৰে। সপোন পূৰণৰ বাবে আত্মবিশ্বাস আৰু ইতিবাচক চিন্তা অত্যন্ত প্ৰয়োজনীয়।

মানুহে যদি নিজৰ ওপৰত বিশ্বাস ৰাখে, তেন্তে তেওঁ বহু কঠিন কামো সম্পন্ন কৰিব পাৰে। আত্মবিশ্বাস মানুহৰ সফলতাৰ এক গুৰুত্বপূৰ্ণ শক্তি। যেতিয়া মানুহে নিজৰ সামৰ্থ্যৰ ওপৰত বিশ্বাস কৰে, তেতিয়া তেওঁ অধিক সাহসেৰে কাম কৰে আৰু নতুন নতুন প্ৰচেষ্টা আৰম্ভ কৰে।

পৰিয়াল আৰু সমাজেও মানুহৰ সপোন পূৰণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। যদি পৰিয়ালৰ পৰা উৎসাহ আৰু সমৰ্থন পোৱা যায়, তেন্তে মানুহে নিজৰ লক্ষ্য পূৰণৰ বাবে অধিক উৎসাহেৰে আগুৱাই যায়। শিক্ষক, বন্ধু-বান্ধৱ আৰু সমাজৰ আন সদস্যসকলেও মানুহক সঠিক দিশ দেখুৱাব পাৰে।

সপোন দেখা মানে কেৱল নিজৰ সুখ বা সফলতাৰ কথা ভাবা নহয়। সপোনৰ মাজত সমাজৰ উন্নতিৰ চিন্তাও থাকিব লাগে। যদি মানুহে নিজৰ সপোনৰ জৰিয়তে সমাজৰ কল্যাণৰ কথা ভাবে, তেন্তে সেই সপোন অধিক মহৎ হৈ উঠে। বহু সমাজসেৱক আৰু মহান ব্যক্তিত্বই নিজৰ সপোনৰ দ্বাৰাই সমাজৰ উন্নতি সাধন কৰিছে। সপোন হৈছে মানুহৰ জীৱনৰ এক মূল্যবান শক্তি। সপোনে মানুহক নতুন পথ দেখুৱায় আৰু আগুৱাই যাবলৈ প্ৰেৰণা দিয়ে। কিন্তু সপোন কেৱল কল্পনা হৈ নাথাকিব লাগে; সেই সপোন বাস্তৱ ৰূপ দিয়াৰ বাবে কঠোৰ পৰিশ্ৰম, ধৈৰ্য্য আৰু দৃঢ়তা অতি প্ৰয়োজনীয়। যি মানুহে নিজৰ সপোনৰ ওপৰত বিশ্বাস ৰাখে আৰু অবিৰত চেষ্টা কৰি থাকে, তেওঁ শেষত নিজৰ লক্ষ্যত উপনীত হ'ব পাৰে। সেয়েহে জীৱনত সপোন দেখা আৰু সেই সপোন পূৰণৰ বাবে আন্তৰিক চেষ্টা কৰা প্ৰতিজন মানুহৰ বাবে অত্যন্ত প্ৰয়োজনীয়। সপোন পূৰণৰ ক্ষেত্ৰত সময়ৰ মূল্যও অত্যন্ত গুৰুত্বপূৰ্ণ। বহু মানুহে জীৱনত ডাঙৰ সপোন দেখে, কিন্তু সময়ৰ সঠিক ব্যৱহাৰ নকৰাৰ ফলত সেই সপোনবোৰ ধীৰে ধীৰে নিঃশেষ হৈ যায়। সফলতাৰ পথত আগবাঢ়িবলৈ হ'লে সময়ক সঠিকভাৱে ব্যৱহাৰ কৰা অতি প্ৰয়োজনীয়। যি মানুহে সময়ৰ মূল্য বুজে আৰু প্ৰতিটো মুহূৰ্ত সঠিক কামত ব্যৱহাৰ কৰে, তেওঁলোকেই জীৱনত নিজৰ লক্ষ্যৰ ওচৰ চাপিব পাৰে। সেয়েহে সপোন পূৰণৰ পথত সময় ব্যৱস্থাপনাও এক গুৰুত্বপূৰ্ণ দিশ।

সপোন পূৰণ কৰিবলৈ শৃংখলাও অতি প্ৰয়োজনীয়। শৃংখলা মানে নিজৰ জীৱনক এক সঠিক নিয়মৰ মাজত ৰাখা। যেতিয়া মানুহে নিয়মিতভাৱে কাম কৰে, নিজৰ লক্ষ্যৰ দিশে ধৈৰ্য্যৰে আগুৱাই যায়, তেতিয়া তেওঁ সফলতাৰ দিশে এটা স্তৰ আগুৱাই যায়। শৃংখলাবিহীন জীৱনত সপোন পূৰণ কৰাটো সহজ নহয়। সেয়েহে যিকোনো লক্ষ্য লাভ কৰিবলৈ নিয়ম, পৰিশ্ৰম আৰু ধৈৰ্য্য একেলগে থাকিব লাগে।

সপোন পূৰণৰ পথত ব্যৰ্থতা এক স্বাভাৱিক অংশ। বহু মানুহে প্ৰথম চেষ্টা কৰোঁতেই সফল নহয়। কেতিয়াবা বহু চেষ্টা কৰাৰ পিছতো সফলতা নাহিব পাৰে। কিন্তু এই ব্যৰ্থতাই মানুহক বহু শিক্ষা দিয়ে। ব্যৰ্থতাৰ পৰা শিকি পুনৰ চেষ্টা কৰা মানুহেই শেষত সফল হয়। যদি কোনোবাই ব্যৰ্থতাৰ ভয়ত চেষ্টা বন্ধ কৰি দিয়ে, তেন্তে তেওঁৰ সপোন কেতিয়াও বাস্তৱ নহ'ব। সেয়েহে ব্যৰ্থতাক ভয় নকৰি ইয়াক এক শিক্ষা হিচাপে গ্ৰহণ কৰা উচিত।

সপোন পূৰণ কৰিবলৈ সঠিক দিশো অত্যন্ত গুৰুত্বপূৰ্ণ। বহু সময়ত মানুহে সপোন দেখে যদিও সেই সপোন পূৰণৰ সঠিক পথ নাজানে। সেয়েহে শিক্ষকৰ পৰামৰ্শ, অভিজ্ঞ ব্যক্তিৰ দিহা আৰু নিজৰ বিবেকৰ সহায়ে সঠিক পথ নিৰ্বাচন কৰা উচিত। সঠিক পথ নিৰ্বাচন কৰিলে সপোন পূৰণৰ পথ সহজ হৈ উঠে।

আজিৰ যুগত যুৱ সমাজৰ মাজত সপোনৰ গুৰুত্ব অধিক। যুৱক-যুৱতীৰ মনত নতুন চিন্তা আৰু নতুন কিছুমান সৃষ্টি কৰাৰ ইচ্ছা থাকে। তেওঁলোকে নিজৰ জীৱনত সফলতা লাভ কৰাৰ লগতে সমাজকো উন্নতিৰ পথত আগুৱাই নিব বিচাৰে। যুৱ সমাজে যদি সৎ লক্ষ্য নিৰ্ধাৰণ কৰে আৰু দৃঢ় মনোবলেৰে চেষ্টা কৰে, তেন্তে তেওঁলোকে সমাজত এক নতুন দিশ সৃষ্টি কৰিব পাৰে।

সপোন পূৰণৰ ক্ষেত্ৰত ইতিবাচক চিন্তাও এক গুৰুত্বপূৰ্ণ শক্তি। যেতিয়া মানুহে ইতিবাচকভাৱে চিন্তা কৰে, তেতিয়া তেওঁৰ মনত নতুন সাহস আৰু শক্তি জন্ম লয়। নেতিবাচক চিন্তাই মানুহক হতাশ কৰি তোলে আৰু তেওঁৰ প্ৰচেষ্টা কমাই দিয়ে। সেয়েহে সফলতাৰ পথত আগবাঢ়িবলৈ ইতিবাচক মনোভাৱ অতি প্ৰয়োজনীয়।

সপোন পূৰণৰ ক্ষেত্ৰত সততা আৰু নৈতিকতাও সমান গুৰুত্বপূৰ্ণ। সফলতা লাভ কৰিবলৈ কোনো অসৎ পথ গ্ৰহণ কৰা উচিত নহয়। সৎ পথত থাকি কৰা সফলতাই স্থায়ী হয় আৰু সমাজত সন্মান লাভ কৰে। সেয়েহে জীৱনত সপোন পূৰণ কৰিবলৈ হ'লে সৎ পথত থাকি কঠোৰ পৰিশ্ৰম কৰা উচিত।

মানুহৰ জীৱনত সপোনে এক বিশেষ শক্তি যোগায়। এই শক্তিয়েই মানুহক নতুন কিছুমান সৃষ্টি কৰিবলৈ উৎসাহ দিয়ে। সাহিত্য, বিজ্ঞান, কলা, শিক্ষা আদি সকলো ক্ষেত্ৰতে বহু মহান সৃষ্টি সপোনৰ পৰাই আৰম্ভ হৈছে। যিসকলে ডাঙৰ সপোন দেখিবলৈ সাহস কৰিছে, তেওঁলোকেই বহু সময়ত বিশ্বক নতুন কিছুমান উপহাৰ দিছে।

শেষত ক'ব পাৰি যে সপোন দেখা আৰু সপোন পূৰণৰ চেষ্টা মানুহৰ জীৱনৰ এক অতি গুৰুত্বপূৰ্ণ অংশ। সপোন নাথাকিলে জীৱনৰ পথ অস্পষ্ট হৈ পৰে। কিন্তু সপোন দেখাৰ লগতে সেই সপোন বাস্তৱ কৰিবলৈ ধৈৰ্য্য, অধ্যৱসায়, শৃংখলা আৰু আত্মবিশ্বাস অতি প্ৰয়োজনীয়। যি মানুহে এই গুণসমূহৰ সৈতে নিজৰ লক্ষ্যৰ দিশে আগুৱাই যায়, তেওঁ শেষত সফলতাৰ শিখৰত উপনীত হ'ব পাৰে।

সেয়েহে প্ৰতিজন মানুহে জীৱনত সপোন দেখা উচিত আৰু সেই সপোন পূৰণৰ বাবে অবিৰত চেষ্টা কৰি থাকিব লাগে। কিয়নো সপোনেই মানুহৰ জীৱনক আশা, সাহস আৰু নতুন দিশেৰে আগুৱাই লৈ যায়।

## তোমাৰ অনুভৱত মই



ৰশ্মি ৰেখা দুৱৰা,ডিব্ৰুগড়

দিক-বিদিক হেৰুওৱাৰ যন্ত্ৰণাত
এবুকু বেদনাই জহিছে,
নিৰাপত্তাহীনতাত ভুগিছোঁ
আউল লগা সময়বোৰে
আঁত বিচাৰি বাটকুৰি বাইছে
পথ-উপপথৰ প্ৰতি কোণত
দুৰণিত থাকিলেও
প্ৰতি ক্ষণত তুমি অনুভৱৰ দলিচাত
মোৰ অনুভৱত মাথোঁ তুমি
আবেলিৰ পৰত বতাহৰ গতিত
নিভাঁজ প্ৰেমৰ মতলীয়া সুৰ এটি
কাণত বাজি উঠে
ফাগুনৰ পচোৱাজাকে
মৰমবোৰ উৰুৱাই আনিব
শিমলু-পলাশে প্ৰাণ উজাৰি যাচিব
"তোমাৰ অনুভৱত মাথোঁ মই"
তুমি কোৱা বাক্যশাৰীয়ে
অনুভৱ কৰাই তোমাৰ মৰমৰ সত্তাক।

অণুগল্প

## শ্মশান



বাৰে বাৰে চেষ্টা কৰিও টোপনি যাব পৰা নাই তেওঁ। মাত এযাৰ শুনাৰ হেঁপাহেৰে পুৱতি নিশাই গৈ তাৰ কাষতে শুই পৰিল। পকা অঙঠাৰ উত্তাপত।

সম্প্ৰীতি কোঁৱৰ, এৰ্জিমালা, কেৰেলা

## বুকুৰ বিনিনি



অতুল কলিতা

ঘৰৰ সন্মুখৰ ফুলজোপাত কপৌহালে টোপ বিচাৰি বিচাৰি আনি পোৱালী দুটাক খুৱাইছে। তাকে দেখি বিহুৰ দিনা ঘৰত অকলশৰে নিমাও মাওকৈ থকা নিৰলা আইতাৰ বৰকৈ মনত পৰিল চহৰত বাস কৰা পুতেক দুটালৈ।